




গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৭ নৱেম্বৰ ২০২৫/২০ কাতি ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ২৯ ● Vol - 14, Issue - 29


# মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

## ৰাজ্যখনত বৰ্তমান চৰকাৰে যুৱক-যুৱতীসকলৰ মাজত বহু সম্ভাৱনাৰ সৃষ্টি কৰিছে ঃ মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰস্থিত লোকসেৱা ভৱনৰ সভাকক্ষত 'মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা' আঁচনিখনৰ শুভাৰম্ভ কৰে। স্নাতক ডিগ্ৰীধাৰী যুৱক-যুৱতীসকলে মাহিলী আৰ্থিক সাহায্যৰে যাতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ভালদৰে প্ৰস্তুতি চলাব পাৰে অথবা ব্যৱসায় বাণিজ্যৰে উদ্যমিতাৰ পথত আগবাঢ়ি যাব পাৰে, সেই উদ্দেশ্যে অসম চৰকাৰে এই আঁচনিখনৰ আৰম্ভণি কৰিছে। এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা বছৰ বাৰ্ষিক বাজেট প্ৰস্তুত কৰাৰ সময়ত অসমৰ বিত্ত মন্ত্ৰীয়ে কেইবাটাও জনকল্যাণমূলক আঁচনি ঘোষণা কৰিছিল। যোৱা ১ এপ্ৰিলৰ পৰা বাজেটৰ ৰূপায়ণৰ কাম আৰম্ভ হয় আৰু বাজেটত ঘোষণা কৰা আঁচনিসমূহ কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয় যে মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনি, মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি, মুখ্যমন্ত্ৰীৰ চিএম-ফ্লাইট আঁচনি এই তিনিখন আঁচনি ৰাজ্য চৰকাৰে দক্ষতা বিকাশ, নিয়োগ আৰু উদ্যমিতা বিভাগক অৰ্পণ কৰিছিল আৰু তিনিওখন আঁচনিয়ে আজি এক নিৰ্দিষ্ট গতিত আগবাঢ়িছে। জীৱন প্ৰেৰণা আঁচনিখনৰ বিষয়ে ব্যাখ্যা দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে মধ্যবিত্ত পৰিয়ালৰ যুৱক-যুৱতীসকলে স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত বিভিন্ন মানসিক কাৰণত পিতৃ-মাতৃৰ পৰা টকা বিচাৰিবলৈ কুণ্ঠাবোধ কৰে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ বাবে প্ৰথম সমস্যা আহে মহাবিদ্যালয়ত নামভৰ্তিৰ মাচুলক লৈ, তাৰ পিছত দ্বিতীয় সমস্যা আহে হোষ্টেল মেচ ডিউছ আৰু অহা-যোৱা খৰচৰ বাবে। শেষৰ সমস্যাটো আহে মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱাৰ পিছত কৰ্মসংস্থাপনৰ প্ৰয়োজনীয়তা পূৰণক লৈ। তেওঁ কয় যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা তেওঁ যুৱক-যুৱতীসকলে সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। সেই প্ৰচেষ্টাৰ অংশ হিচাপে কেইবাখনো নতুন আঁচনি ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছে। একাদশ শ্ৰেণীৰ পৰা স্নাতকোত্তৰ শ্ৰেণীলৈ বিনামূলীয়া নামভৰ্তি, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তিৰ বাবে বিনামূলীয়া প্ৰ-পত্ৰ পূৰণ, আৰ্থিক সংকটৰ বাবে ছাত্ৰীসকলে যাতে আদবাটতে শিক্ষা সামৰিব লগা নহয় তাৰ বাবে নিযুত মইনা আঁচনি আদি জনকল্যাণমূলক আঁচনিসমূহ গ্ৰহণৰ একেটা শৃংখলতে আজি ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিখন হাতত লৈছে। নিযুত মইনা আঁচনিৰ লেখীয়া এইখনো এখন ব্যতিক্ৰমী আঁচনি বুলি উল্লেখ কৰি তেওঁ কয় যে ভাৰতবৰ্ষৰ অন্য ৰাজ্যত এনে আঁচনি প্ৰৱৰ্তন হোৱা নাই। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত বৰ্তমান চৰকাৰে যুৱক-যুৱতীসকলৰ মাজত বহু সম্ভাৱনাৰ সৃষ্টি কৰিছে। অনাগত দিনসমূহত ৰাজ্যখনত এনে সম্ভাৱনা অধিক বৃদ্ধি পাব। কিন্তু সম্ভাৱনাসমূহ যুৱক-যুৱতীসকলে নিজৰ জীৱনত খাপখোৱাকৈ বিচাৰি উলিওৱাৰ বাবে নিজক প্ৰস্তুত কৰিবলৈ অন্ততঃ এটা বছৰ সময় লাগে। সেইবাবে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লগে লগে এটা বছৰ যুৱক-

১০ পৃষ্ঠাত

# নগাঁৱত গণশিল্পী জুবিন গাৰ্গক সোঁৱৰি অভিনৱ চিন্তাৰে 'গজল সন্ধ্যা'

## সংগীতৰ মধুৰ মায়াজালে মুহিলে শ্ৰোতা-দৰ্শকক




**জয়ন্ত মুদৈ, নগাঁও ঃ** অতীজৰে পৰা সাংস্কৃতিক ক্ষেত্ৰখনত সংগীতে এক বিশেষ স্থান অধিকাৰ কৰি আছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে বৰ্তমান সংগীত ক্ষেত্ৰখনলৈও বহুখিনি পৰিৱৰ্তন আহি পৰিছে। পিছে সংগীতৰ ক্ষেত্ৰখনত যিমানেই পৰিৱৰ্তন নাহক লাগে 'গজল'ৰ এক সুকীয়া মাদকতা আছে। ইয়াৰ মধুৰ সুৰ আৰু কথাই প্ৰতিজন সংগীতপ্ৰেমীক অনন্য সোৱাদ দিবলৈ সক্ষম হয়। কিন্তু বৰ্তমান সময়ত এই গজলৰ চৰ্চা কম পৰিমাণেহে হোৱা দেখা যায়। সেয়ে নৱ প্ৰজন্মৰ মাজত গজলৰ প্ৰসাৰৰ লগতে ইয়াৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে বিগত বৰ্ষৰ দৰে এইবেলিও পহিলা নৱেম্বৰত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ কুশীলৱ প্ৰেক্ষাগৃহত মাসাগৰিনাৰ উদ্যোগত তথা সোণাইপৰীয়া শাখা কবি সন্মিলন আৰু সোণাইপৰীয়া শিল্পী মঞ্চৰ যৌথ সৌজন্যত এটি 'গজল সন্ধ্যা' অনুষ্ঠিত কৰা হয়। নগাঁও ছোৱালী মহাবিদ্যালয়, সুনীল শইকীয়া সংগীত

১০ পৃষ্ঠাত

# ভগৱান শ্ৰীকৃষ্ণ আৰু ৰাস ক্ৰীড়া

■ প্ৰভাত বণিয়া



**ছয়** ঋতুৰ ভিতৰত শৰৎ হ'ল সৌন্দৰ্যৰ ঋতু। শৰতকালত আকাশ ফৰকাল হয়। সুন্দৰ বতৰ, মনোমোহা পৰিৱেশ আৰু সৌন্দৰ্যৰ মধুৰতাই হিয়া মন আনন্দিত কৰি তোলে। শৰতৰ পূৰ্ণিমাৰ স্নিগ্ধ জোনাক নিশা শেৱালিৰ মৃদু সুৱাসত মন প্ৰাণ ভৰি পৰে। এই সময়ত নানা প্ৰজাতিৰ সুগন্ধি ধুনীয়া ধুনীয়া ৰং-বিৰঙৰ ফুল ফুলি সমগ্ৰ জগতৰ পৰিৱেশ আনন্দময় হৈ পৰে।

ভক্তপ্ৰাণ হিন্দু ধৰ্মাৱলম্বী লোকসকলে প্ৰায় গোটেই বছৰটোৰ ভিতৰত নানা ধৰ্মীয় উৎসৱ উদ্‌যাপন কৰি নিজ নিজ ইষ্ট দেৱ-দেৱীক পূজা-অৰ্চনা কৰি সন্তুষ্টি লাভ কৰে। শাৰদীয় দুৰ্গা পূজা, বাসন্তী পূজা (বসন্ত কালত উদ্‌যাপন কৰা দেৱী দুৰ্গাৰ পূজা), সৰস্বতী পূজা, লক্ষ্মী পূজা, কালি বা শ্যামা পূজা আৰু বিশ্বকৰ্মা পূজা উদ্‌যাপন কৰি ভক্তপ্ৰাণ ৰাইজে আনন্দ উৎসৱত বিলীন হৈ যায়।

এই শৰৎ কালতে ৰাসলীলা বা ৰাসক্ৰীড়া উদ্‌যাপিত হয়। ৰসৰ পৰা ৰাস শব্দৰ উৎপত্তি হোৱা বুলি পণ্ডিতসকলে কয়। ভগৱান শ্ৰীকৃষ্ণ আৰু ৰাধা সহিতে গকুলৰ গোপীসকলৰ মাজত যমুনাৰ বালিত নাচি-বাগি উদ্‌যাপন কৰা কাম গন্ধহীন কাম কেলিয়ে হৈছে ৰাসলীলা বা ৰাসক্ৰীড়াৰ মূল চৰ্চিত বিষয়।

নিৰ্গুণ চৈতন্য মহাপ্ৰভু ভগৱান শ্ৰীকৃষ্ণৰ মহিমা অপাৰ। দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈ আৰু যেতিয়া ধৰ্মই অধঃপতনৰ ফালে গতি কৰে তেতিয়া ভগৱানে এই পৃথিৱীত নানা অৱতাৰ ধৰি জন্মগ্ৰহণ কৰে-

যদা যদাহি ধৰ্মস্য গ্লানিৰ ভৱতি ভাৰত

অভ্যুৎস্থানম ধৰ্মস্য তদাত্মানাং সৃজম্যহম পৰিত্ৰাণায় সাধুনাং বিনাশ্বয়াচ দুস্কৃতম

ধৰ্ম সন্থাপনাৰ্থায় সম্ভাব্যমি যুগে যুগে।

দ্বাপৰ যুগত ভগৱানে কৃষ্ণ অৱতাৰ ৰূপে

১০ পৃষ্ঠাত

# কোচ ৰাজবংশী মহিলা সন্মিলনীৰ কাছমাৰী আঞ্চলিক সমিতি গঠন



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ কাছমাৰীত শনিবাৰে বিয়লি কোচ ৰাজবংশী মহিলা সন্মিলনীৰ এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। সভাৰ আৰম্ভণিতে বীৰ চিলাৰায় আৰু গণশিল্পী জুবিন গাৰ্গৰ প্ৰতিছবিৰ সন্মুখত সমাজকৰ্মী তিলক ডেকাৰ দ্বাৰা বন্তি প্ৰজ্বলনৰ লগতে ৰাজহুৱা পুষ্পাঞ্জলী অৰ্পণৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে কোচ ৰাজবংশী সন্মিলনীৰ কাছমাৰী আঞ্চলিক সমিতিৰ সভাপতি কুশল চন্দ্ৰ বৰাৰ পৌৰহিত্যত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য ব্যাখ্যা কৰে কাছমাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি পংকজ বৰাই। সভাত কোচ ৰাজবংশী সন্মিলনীৰ নগাঁও জিলা সমিতিৰ উপ-সভাপতি অমিয় কুমাৰ ডেকা উপস্থিত থাকি কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বিষয়ে আলোকপাত কৰাৰ লগতে ভাষণ প্ৰসংগত জনজাতিকৰণৰ দাবীৰে সমগ্ৰ ৰাজ্যৰ কোচ ৰাজবংশী লোকসকলে ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ পিছতো চৰকাৰে বিষয়টোত গুৰুত্ব নিদি কেৱল বঞ্চনাহে কৰি আহিছে বুলি ক্ষোভ প্ৰকাশ কৰে। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মনোজ কুমাৰ শইকীয়া আৰু সাধাৰণ সম্পাদক জয়ন্ত হাজৰিকাই কোচ ৰাজবংশীৰ প্ৰাপ্য অধিকাৰৰ বিষয়ত বক্তব্য প্ৰদান কৰে। অধিবক্তা ধ্ৰুৱজ্যোতি ৰাজা, সমাজকৰ্মী অশ্বিনী বৰাকে আদি কৰি কেইবা শতাধিক লোক উপস্থিত থকা উক্ত সভাতে কোচ ৰাজবংশী মহিলা সন্মিলনীৰ কাছমাৰী আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে সবিতা ডেকাক সভানেত্ৰী, জানমনি বৰাক কাৰ্যকৰী সভানেত্ৰী, অৰ্চনা ডেকা আৰু বিজু বৰাক উপ সভানেত্ৰী, প্ৰীতি বৰাক সম্পাদিকা, হিৰনমনি বৰা আৰু দ্বীপমালা ডেকাক সহকাৰী সম্পাদিকা, মনিমালা ডেকাক সাংগঠনিক সম্পাদিকা, প্ৰভাৱতী বৰাক প্ৰচাৰ সম্পাদিকাৰ লগতে কল্পনা ডেকা আৰু ৰূপা শইকীয়াক জিলা সদস্যা হিচাপে লৈ কাছমাৰী আঞ্চলিক কোচ ৰাজবংশী মহিলা সন্মিলনীখনি গঠন কৰা হয়।

# শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

কেশৱ কৃষ্ণ কৰুণা সিন্ধু
ত্ৰাহি জগন্নাথ অনাথ বন্ধু।
মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।

শ্ৰীমদ্ ভাগৱতৰ দশম স্কন্ধৰ ঊনত্ৰিশ অধ্যায়ৰ পৰা তেত্ৰিশ অধ্যায়লৈ লেখা আছে, শ্ৰকৃষ্ণৰ ৰাস ক্ৰীড়াৰ বৰ্ণনা মূৰ্তিৰ সহায়ত প্ৰদৰ্শন কৰা হয়। কিছুমান ঠাইত জীৱন্ত ৰাস মহোৎসৱ পালন কৰে। এই দৃশ্যবিলাকত আধ্যাত্মিকতাৰ ভাৱ পূৰ্ণ মাত্ৰাই বিদ্যামান। ৰাসৰ জৰিয়তে মানুহৰ মনত শ্ৰীকৃষ্ণৰ প্ৰতি ভক্তিভাৱ প্ৰদৰ্শন কৰি আধ্যত্মিকতাৰ ভাৱধাৰা গঢ়ি তোলা হয়, যাতে মানুহখিনি সৎ পথত থাকি একতাৰ বান্ধোনত এখন সুস্থ-সমাজ ব্যৱস্থাৰে প্ৰচলিত হয় কাৰণ শুদ্ধপথত সমাজখনক ৰখাৰ দায়িত্ব সকলোৰে।

জনমানসত এক পৱিত্ৰ হৃদয়ৰ স্থান আছে প্ৰভু শ্ৰীকৃষ্ণৰ।

ভগৱান শ্ৰীকৃষ্ণৰ যোল্ল হাজাৰ গোপিনীৰ সৈতে নিস্বাৰ্থ প্ৰেম আছিল, সেই কথা সুন্দৰভাৱে ভাগৱত আৰু অনেক ধৰ্মীয় গ্ৰন্থত পঢ়িবলৈ পাইছোঁ। শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰত মোহিত হয় গোপিনী সকলেও সকলো পাহৰি যোৱা। ইয়াকে বুজাই ভক্ত আৰু ভগৱানৰ মাজত থকা এক আত্মীক বান্ধোন। ভক্ত ভগৱানৰ কাৰণে শ্ৰেষ্ঠ।

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ৰাসমহোৎসৱ পালন কৰে। শ্ৰীকৃষ্ণৰ জন্ম স্থান -মথুৰা বৃন্দাৱনটো অলেখ ধুমধামেৰে পালন কৰে। আমাৰ অসমৰ বৰপেটা হাউলী, নলবাৰী, মাজুলী, পলাশবাৰী ইত্যাদি ঠাইতো শ্ৰীকৃষ্ণৰ মহোৎসৱ পালন কৰে। মাজুলীত জীৱন্ত ৰাস উদ্‌যাপন কৰে।

১৯৯৩-৯৪ চনৰ ২ নৱেম্বৰত আমাৰ গাঁও শুৱালকুছিৰ ব্ৰহ্মপুত্ৰ বালিচৰত প্ৰথম ৰাস শুভাৰম্ভ হৈছিল। শ্ৰীকৃষ্ণৰ লীলাৰ প্ৰতিটো দৃশ্য শিল্পীৰ মৃন্ময় প্ৰতিমাত খুব সুন্দৰকৈ সজাই পৰাই তোলে। শৰতৰ পূৰ্ণিমাৰ বিতোপন নিশা প্ৰভুৰ আধ্যাত্মিক দিশটো আমাৰ জনমানসত প্ৰতিফলিত হয় ৰাসৰ মাজেৰে। বৰ্তমানো শুৱালকুছিবাসী সকলো শিল্পী ব্যস্ত আছে ৰাস মহোৎসৱ উদ্‌যাপন কৰাৰ প্ৰস্তুতিত প্ৰভু ভগৱন্তই সকলোলৈকে সুখ সমৃদ্ধি কঢ়িয়াই আনক।

হে প্ৰভু সনাতন গোপীৰ সঙ্গে কৰে
ৰাস লীলা!!
জগতক তুমি প্ৰভু মায়াৰে বান্ধিলা।।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# উষানগৰী তেজপুৰৰ চিত্ৰশিল্পী মণিমালা বৰাই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ দৃষ্টিনন্দন প্ৰতিচ্ছবি অংকণৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ উষানগৰী তেজপুৰৰ এগৰাকী প্ৰতিভাশালী চিত্ৰশিল্পী মণিমালা বৰাই বিশ্বৰ হামিং কিং তথা অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি অংকন কৰিলে তেখেতৰ এক দৃষ্টিনন্দন প্ৰতিচ্ছবি। তেজপুৰৰ নিকামূলৰ নিৱাসী চিত্ৰশিল্পী গৰাকীয়ে অংকণ কৰি উলিওৱা এক্ৰাইলিক শৈলীৰ এই প্ৰতিচ্ছবিখনে সামাজিক মাধ্যমত যথেষ্ট চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে উকা কেনভাচ বৰ্ডত অংকন কৰা ছবিখনৰ জোখ দৈৰ্ঘ্য - প্ৰস্থ দুফুট-ডেৰফুট বুলি জানিবলৈ দিয়ে চিত্ৰশিল্পীগৰাকীয়ে। হৃদয়ৰ পৰা নিখুঁতভাৱে অংকন কৰা উক্ত প্ৰতিচ্ছবিখনৰ জৰিয়তে শিল্পী গৰাকীয়ে কয় যে - মই এগৰাকী চিত্ৰশিল্পী হিচাপে উকা কেনভাচত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকণৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে অসম চৰকাৰে যেন অতি শীঘ্ৰে তেখেতৰ মৃত্যুৰ ৰহস্য ক্ষিপ্ৰগতিৰে নিকাভাৱে তদন্ত কৰি ন্যায় প্ৰদান কৰাৰ লগতে দোষীক উচিত শাস্তিৰ দাবী জনাইছে। কাৰণ জুবিন গাৰ্গৰ মৃত্যু হ'ব নোৱাৰে কিয়নো জুবিন গাৰ্গ হৈছে প্ৰতিজন অসমীয়াৰ হৃদয়ত-মন-মগজুত অনন্ত কাললৈ তেওঁ সুৰ হৈ বাস কৰি থাকিব।

# তেজপুৰ মহাবিদ্যালয়ত সদৌ অসম চৰকাৰী এন পি এছ (NPS) কৰ্মচাৰী সংস্থাৰ শোণিতপুৰ জিলাৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন হয়




**চন্দন শৰ্মা, তেজপুৰ ঃ** সদৌ অসম চৰকাৰী এন পি এছ (NPS) কৰ্মচাৰী সংস্থাৰ শোণিতপুৰ জিলাৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন দেওবাৰে তেজপুৰ মহাবিদ্যালয়ৰ চন্দ্ৰ মোহন মেধি আলোচনা কক্ষত সম্পন্ন হয়। সভাৰ আৰম্ভণিতে অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু জাতীয় সংগীতে সভাখন আৰম্ভ কৰা হয়। সভাখনৰ সভাপতিত্ব কৰে সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ শোণিতপুৰ জিলাৰ সভাপতি তথা তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই। সদৌ অসম চৰকাৰী এন পি এছ সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মা সভাত উপস্থিত থাকে। তেখেতক শোণিতপুৰ জিলা সমিতিৰ আৰু তেজপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। তেখেতে তেখেতৰ বক্তব্যত অসম চৰকাৰে শেহতীয়াভাৱে কেবিনেট সিদ্ধান্ত মৰ্মে ইউ পি এছ (UPS) কাৰ্যকৰী কৰাৰ সিদ্ধান্ত চৰকাৰী চাকৰীয়াল সকলৰ পক্ষে যে ফলপ্ৰসূ নহয় উদাহৰণ সহকাৰে ব্যাখ্যা কৰে। শোণিতপুৰ জিলাৰ সাধাৰণ সম্পাদক চন্দন আচাৰ্য সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ জৰিয়তে তেখেতৰ অভিজ্ঞতা ব্যক্ত কৰে। তেজপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° দেৱজিৎ দত্তই এন পি এছৰ অধীনৰ চাকৰীয়াল সকলৰ মাজত এন পি এছ, ইউ পি এছৰ ভয়াৱহতাৰ সম্পৰ্কে সজাগতা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। সভাপতি ড° মনোজ কুমাৰ হাজৰিকাই অ পি এছ (OPS) প্ৰাপ্তীৰ সংগ্ৰাম খন সংঘবদ্ধভাৱে চলাই নিবলৈ সকলোকে আহ্বান জনায় বিগত কাৰ্যনিৰ্বাহক সমিতিখনৰ সকলোৰে হৈ পদত্যাগ কৰে। সভাত তেজপুৰ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক জয়ন্ত বৰদলৈক সভাপতি আৰু ৰোহিনী দাসক সাধাৰণ সম্পাদক হিচাপে লৈ সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ শোণিতপুৰ জিলা সমিতিৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাত শোণিতপুৰ জিলাৰ ছয়খন আঞ্চলিক সমিতিৰ সভাপতি, সম্পাদককে প্ৰমূখ্য কৰি বিভিন্ন বিভাগ, বিদ্যালয়, মহাবিদ্যালয়ৰ এন পি এছৰ অধীনৰ চাকৰিয়াল সকল উপস্থিত থাকে।

# অৱসৰপ্ৰাপ্ত সেনা জোৱান ডিম্বেশ্বৰ বৰাৰ মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** নগাঁও জিলাৰ গোমোঠা গাঁও নিৱাসী, অৱসৰপ্ৰাপ্ত সেনা জোৱান ডিম্বেশ্বৰ বৰাৰ (৬২) যোৱা ৩১ অক্টোবৰত পুৱা নিজ বাসভৱনত দেহাৱসান ঘটে। উল্লেখযোগ্য যে, প্ৰয়াত ব্যক্তিগৰাকী দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। তেওঁ পূব নগাঁও কলংপৰীয়া অৱসৰপ্ৰাপ্ত সৈনিক সন্থাৰ এগৰাকী সক্ৰিয় সদস্য আছিল। অতি সহজ সৰল, নম্ৰ, ভদ্ৰ প্ৰকৃতিৰ ব্যক্তিগৰাকীৰ মৃত্যুত গাঁওখনত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত ব্যক্তিগৰাকীয়ে পত্নী, দুই ভাতৃ, তিনিগৰাকী ভগ্নী, দুই পুত্ৰ, বোৱাৰীসহ অনেক আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ গৈছে।

# অন্ধবিশ্বাসৰ পৰা মুক্তিৰ পথ

■ **হিমাংশু ৰঞ্জন ভূঞা,** জামুগুৰিহাট

অন্ধবিশ্বাস মানৱ সমাজৰ ইতিহাসৰ পাতত খোদিত হৈ থকা এক জটিল আৰু সুদীৰ্ঘদিনীয়া সমস্যা, যিয়ে কেৱল ব্যক্তিৰ চিন্তাৰ স্বাভাৱিক বিকাশকেই নহয়, বৰং সমগ্ৰ সমাজৰ প্ৰগতিৰ পথতো এক ডাঙৰ বাধাৰ সৃষ্টি কৰে। ই হৈছে জ্ঞান আৰু যুক্তিৰ পোহৰক আৱৰি ধৰা এক ঘন আন্ধাৰ, য'ত মানুহে কোনো ধৰণৰ প্ৰমাণ বা বিশ্লেষণ নোহোৱাকৈ কিছুমান ধাৰণা, ৰীতি-নীতি বা পৰম্পৰাক চকু মুদি বিশ্বাস কৰে। এই বিশ্বাসৰ ভেটি কেৱল অজ্ঞতা আৰু অবৈজ্ঞানিক চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰশীল, যাৰ ফলত মানৱ মনত ভয়, দ্বিধা আৰু অসহায়তাৰ এক অনুভূতিয়ে বাহ লয়। যুগ যুগ ধৰি অন্ধবিশ্বাসে মানৱ জীৱনৰ প্ৰতিটো দিশত নিজৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছে, ব্যক্তিগত সিদ্ধান্ত গ্ৰহণৰ পৰা আৰম্ভ কৰি সামাজিক আচাৰ-ব্যৱহাৰ পৰ্যন্ত সকলোতে ইয়াৰ শিপা গভীৰভাৱে সোমাই আছে। যেতিয়া এজন লোকে কোনো এক সমস্যাৰ সন্মুখীন হয় আৰু ইয়াৰ প্ৰকৃত কাৰণ বা সমাধান বিচাৰি নাপায়, তেতিয়া তেওঁলোকে এক অলৌকিক বা অদৃশ্য শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰে, যিয়ে তেওঁলোকক ক্ষণস্থায়ী মানসিক শান্তি আৰু এক মিথ্যা আশ্বাস প্ৰদান কৰে। কিন্তু প্ৰকৃততে, এই অন্ধবিশ্বাস হৈছে সমস্যাৰ মূল কাৰণটোক লুকুৱাই ৰখা এক প্ৰৱঞ্চনা, যাৰ ফলত মানুহে নিজৰ জীৱনৰ নিয়ন্ত্ৰণ আন এক শক্তিৰ হাতত এৰি দিয়ে। এই ধাৰণাৰ গভীৰতা ইমানেই বেছি যে ই কেৱল সমাজৰ শিক্ষাৰ পৰা বঞ্চিত লোকৰ মাজতে সীমাবদ্ধ নহয়, বৰং উন্নত শিক্ষা লাভ কৰা বহুতো লোকৰ মনতো ইয়াৰ প্ৰভাৱ স্পষ্টভাৱে দেখা যায়। ইয়াৰ ফলত সমাজত এক ধৰণৰ স্থবিৰতা আহে আৰু মানুহে নতুন, আধুনিক তথা যুক্তিনিষ্ঠ চিন্তা-ধাৰাক গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰে, যাৰ বাবে সমগ্ৰ সমাজৰ বিকাশৰ গতি মন্থৰ হৈ পৰে। অন্ধবিশ্বাসৰ এই প্ৰবল শক্তিৰ পৰা মুক্তি লাভ কৰাটো সেয়েহে এক ব্যক্তিগত আৰু সামাজিক, উভয় পক্ষৰে অত্যন্ত জৰুৰী কৰ্ম। এই মুক্তিৰ বাবে এক সুসংহত আৰু সুচিন্তিত পন্থাৰ প্ৰয়োজন, যিয়ে ইয়াৰ মূল ভেটিটোক যুক্তি আৰু জ্ঞানৰ দ্বাৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পাৰে।

অন্ধবিশ্বাসৰ পৰা মুক্তি লাভৰ প্ৰথম আৰু আটাইতকৈ শক্তিশালী অস্ত্ৰ হ'ল শিক্ষা আৰু জ্ঞানৰ সৰ্বাংগীণ প্ৰসাৰ। শিক্ষা কেৱল পাঠ্যপুথিৰ তথ্য মুখস্থ কৰাৰ নাম নহয়, বৰং ই মনক মুকলি কৰা, বিশ্লেষণ কৰাৰ ক্ষমতা বৃদ্ধি কৰা আৰু প্ৰতিটো কথাক যুক্তিনিষ্ঠভাৱে গ্ৰহণ কৰিবলৈ শিকোৱাৰ এক ব্যাপক প্ৰক্ৰিয়া। সঠিক শিক্ষাই মানুহক বিশ্বব্ৰহ্মাণ্ডৰ নিয়মসমূহ, প্ৰকৃতিৰ শক্তিৰ ক্ৰিয়াকলাপ আৰু মানৱ জীৱনৰ জটিলতাসমূহক বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা চাবলৈ প্ৰেৰণা যোগায়। যেতিয়া এজন লোকে জীৱন আৰু জগতৰ প্ৰকৃত সত্যসমূহৰ বিষয়ে জ্ঞান লাভ কৰে, তেতিয়া তেওঁ কোনো ধৰণৰ অলৌকিক বা অবাস্তৱ শক্তিত বিশ্বাস কৰাৰ পৰিৱৰ্তে প্ৰমাণভিত্তিক সত্যৰ সন্ধান কৰিবলৈ আগ্ৰহী হয়। শিক্ষা ব্যৱস্থাই সৰুৰে পৰা শিশুৰ মনত অনুসন্ধিৎসু মনোভাৱ আৰু সমালোচনাত্মক চিন্তাৰ বীজ সিঁচিব লাগে, যাতে তেওঁলোকে কোনো ধৰণৰ যুক্তিবিহীন ধাৰণাক সহজেই মানি নলয়। ইয়াৰ উপৰিও, সমাজৰ প্ৰাপ্তবয়স্ক লোকসকলৰ মাজতো জ্ঞানৰ প্ৰচাৰ ঘটোৱাটো একেদৰে প্ৰয়োজনীয়। ইয়াৰ বাবে বিভিন্ন আলোচনা-চক্ৰ, সজাগতা সভা, আৰু আধুনিক মাধ্যমসমূহৰ জৰিয়তে সাধাৰণ মানুহক অন্ধবিশ্বাসৰ ক্ষতিকাৰক দিশসমূহৰ বিষয়ে অৱগত কৰিব লাগে আৰু তেওঁলোকক বিজ্ঞানসন্মত জীৱন ধাৰণৰ প্ৰতি আকৰ্ষিত কৰিব লাগে। এই জ্ঞানৰ পোহৰেই অন্ধবিশ্বাসৰ আন্ধাৰক ভেদ কৰিবলৈ সক্ষম হয়, কিয়নো জ্ঞান হৈছে এনে এক শক্তি, যিয়ে মানুহক নিজৰ জীৱনৰ সমস্যাসমূহৰ সমাধানৰ বাবে নিজৰ সামৰ্থৰ ওপৰত বিশ্বাস কৰিবলৈ শিকায়। এক জ্ঞানভিত্তিক সমাজেহে অন্ধবিশ্বাসৰ শিকলি ছিঙি এক যুক্তিনিষ্ঠ ভৱিষ্যতৰ দিশে আগবাঢ়িব পাৰে।

গভীৰ বৈজ্ঞানিক মানসিকতাৰ অনুশীলন আৰু প্ৰসাৰ অন্ধবিশ্বাসৰ পৰা মুক্তিৰ এক অপৰিহাৰ্য পদক্ষেপ। বৈজ্ঞানিক মানসিকতা মানেই কেৱল বিজ্ঞানৰ বিষয় অধ্যয়ন কৰাটো নুবুজায়, বৰং ই হৈছে প্ৰতিটো পৰিঘটনাক প্ৰশ্ন কৰা, পৰীক্ষা কৰা আৰু যুক্তিৰ কষ্টি-পাথৰত ঘঁহি চোৱাৰ এক গভীৰ মনোভাৱ। ই মানুহক কোনো ধৰণৰ ধাৰণাক কেৱল পৰম্পৰা বা লোককথাৰ বাবেই গ্ৰহণ কৰাৰ পৰিৱৰ্তে, ইয়াৰ সত্যতা নিৰূপণৰ বাবে প্ৰমাণ আৰু যুক্তিৰ ওপৰত গুৰুত্ব দিবলৈ শিকায়। বৈজ্ঞানিক দৃষ্টিকোণৰ জৰিয়তে মানুহে উপলব্ধি কৰিব পাৰে যে বিশ্বব্ৰহ্মাণ্ড কোনো খেয়ালিপূৰ্ণ অলৌকিক শক্তিৰ দ্বাৰা পৰিচালিত নহয়, বৰং ই কিছুমান সুনিৰ্দিষ্ট, পৰীক্ষণযোগ্য আৰু সাৰ্বজনীন নীতি-নিয়মৰ দ্বাৰা পৰিচালিত। যেতিয়া জীৱনত কোনো দুৰ্যোগ বা সমস্যা আহে, তেতিয়া অন্ধবিশ্বাসৰ আশ্ৰয় লোৱাৰ পৰিৱৰ্তে, বৈজ্ঞানিক মনোভাৱৰ লোকে ইয়াৰ কাৰণসমূহৰ বিশ্লেষণ কৰে, তথ্য সংগ্ৰহ কৰে আৰু বাস্তৱসন্মত সমাধান বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। সমাজে এই বৈজ্ঞানিক মনোভাৱক উৎসাহিত কৰাটো অত্যন্ত প্ৰয়োজনীয়। বিদ্যালয়, পৰিয়াল আৰু সামাজিক আড্ডাসমূহত তৰ্ক, আলোচনা আৰু যুক্তিনিষ্ঠ বিশ্লেষণৰ অনুশীলনক গুৰুত্ব দিব লাগে। মানুহে বুজিব লাগিব যে সন্দেহ কৰা বা প্ৰশ্ন কৰাটো কোনো দোষ নহয়, বৰং ই প্ৰকৃত জ্ঞান লাভৰ প্ৰথম খোজ। যেতিয়া সমাজে একত্ৰিত হৈ অন্ধবিশ্বাসৰ ভিত্তিসমূহক বৈজ্ঞানিক যুক্তিৰে প্ৰত্যাহ্বান জনায়, তেতিয়াহে পুৰণি আৰু ক্ষতিকাৰক ধাৰণাসমূহক নতুন, যুক্তিনিষ্ঠ চিন্তাৰে প্ৰতিষ্ঠাপন কৰা সম্ভৱ হৈ উঠে। এই মানসিক পৰিৱৰ্তনেই হৈছে অন্ধবিশ্বাসৰ আন্ধাৰ ভেদি পোহৰৰ দিশে যোৱাৰ মূল আধাৰ।

এই মুক্তিৰ পথত সামাজিক সজাগতাৰ ব্যাপক আন্দোলন আৰু সুস্থ হস্তক্ষেপ অত্যন্ত গুৰুত্বপূৰ্ণ। অন্ধবিশ্বাস কেৱল ব্যক্তিগত সমস্যা হৈ নাথাকে, বৰং ই এক সামাজিক ব্যাধি, সেয়েহে ইয়াৰ নিৰ্মূলৰ বাবে সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন। সজাগতা অভিযান, জনসভা, আৰু সকলো ধৰণৰ মাধ্যমৰ জৰিয়তে অন্ধবিশ্বাসৰ ফলত হোৱা শোষণ আৰু অন্যায়সমূহৰ বিষয়ে জনসাধাৰণক গভীৰভাৱে অৱগত কৰা উচিত। এই ক্ষেত্ৰত সমাজ সংস্কাৰক, চিন্তাবিদ, লেখক আৰু জনপ্ৰিয় ব্যক্তিসকলে এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁলোকে নিজৰ প্ৰভাৱশালী বক্তব্য আৰু কাৰ্য্যৰ জৰিয়তে সাধাৰণ মানুহক অন্ধবিশ্বাসৰ ফাঁকি আৰু যুক্তিহীনতাৰ বিষয়ে সচেতন কৰি তুলিব লাগে। ইয়াৰ উপৰিও, সক্ৰিয় আন্দোলনৰ জৰিয়তে অন্ধবিশ্বাসৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা ভুল ধাৰণাসমূহক প্ৰত্যাহ্বান জনাই সমাজৰ পৰা সেইবোৰৰ প্ৰভাৱ কমাবলৈ নিৰন্তৰ প্ৰচেষ্টা চলাব লাগে। কেৱল সচেতনতা সৃষ্টি কৰাই যথেষ্ট নহয়, বৰং চৰকাৰ আৰু প্ৰশাসনে অন্ধবিশ্বাসৰ নামত চলি থকা শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিক শোষণৰ কাৰ্য্যসমূহ ৰোধ কৰিবলৈ কঠোৰ আৰু কাৰ্যকৰী আইন প্ৰণয়ন কৰি সেইবোৰৰ সঠিক ৰূপায়ণ সুনিশ্চিত কৰিব লাগে। সমাজে যদি যুক্তিহীন কথাবোৰক প্ৰশ্ন কৰিবলৈ সাহস কৰে আৰু একত্ৰিত হৈ অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় দিয়ে, তেন্তে ইয়াৰ ভেটি স্বাভাৱিকতে দুৰ্বল হৈ পৰিব। এই সামূহিক সচেতনতা আৰু সহযোগিতাৰ ফলস্বৰূপেহে এক সুস্থ, সবল, যুক্তিনিষ্ঠ আৰু অন্ধবিশ্বাসমুক্ত সমাজ গঢ়ি তোলাৰ সপোন পূৰণ হ'ব পাৰে।

মানৱতাবাদী মূল্যবোধৰ প্ৰতিষ্ঠা অন্ধবিশ্বাসৰ শিকলি ছিঙাৰ ক্ষেত্ৰত এক মৌলিক প্ৰয়োজনীয়তা। মানৱতাবাদ হৈছে এনে এক দৰ্শন, যিয়ে মানৱ জীৱনৰ মৰ্যাদা, নৈতিকতা, যুক্তি আৰু মানৱীয় প্ৰচেষ্টাক সৰ্বোচ্চ স্থান দিয়ে। অন্ধবিশ্বাসে মানুহক সংকীৰ্ণতা, ভয় আৰু বিভেদৰ মাজত আৱদ্ধ কৰি ৰাখে, যাৰ ফলত তেওঁলোকে আন মানুহৰ প্ৰতি সহানুভূতি আৰু সহমৰ্মিতা অনুভৱ কৰিবলৈ অক্ষম হয়। ই কেৱল নিজৰ গোষ্ঠী বা ধৰণৰ লোকৰ প্ৰতিহে দায়বদ্ধতাৰ ভাৱ পোষণ কৰিবলৈ উদগণি যোগায়। ইয়াৰ বিপৰীতে, মানৱতাবাদী দৃষ্টিকোণে মানুহক শিকায় যে সকলো মানৱ সমান আৰু সকলোৰে প্ৰতি মৰম, সন্মান আৰু নৈতিক দায়িত্ব পালন কৰাটোৱেই প্ৰকৃত জীৱন ধাৰণৰ মূল কথা। যেতিয়া মানুহে এই মূল্যবোধসমূহক নিজৰ জীৱনৰ মূল ভেটি হিচাপে গ্ৰহণ কৰে, তেতিয়া তেওঁলোকে সৰু সৰু কথাতে ভয় খোৱা বা কোনো অলৌকিক শক্তিৰ আশ্ৰয় লোৱাৰ পৰিৱৰ্তে নিজৰ সমস্যাসমূহ সমাধানৰ বাবে মানৱীয় জ্ঞান, যুক্তি আৰু প্ৰচেষ্টাৰ ওপৰত আস্থা ৰাখিবলৈ শিকে। মানৱতাবাদে মানুহক নিজৰ কৰ্ম আৰু চিন্তাৰ বাবে নিজকে দায়বদ্ধ কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু অন্ধবিশ্বাসৰ দ্বাৰা সৃষ্ট বিভেদ আৰু বৈষম্য দূৰ কৰাত সহায় কৰে। এই চিন্তাধাৰাই মানুহৰ মনৰ পৰা যুক্তিহীনতা আৰু কুসংস্কাৰৰ আন্ধাৰ আঁতৰাই পেলায় আৰু তেওঁলোকক এক মুক্ত, নিৰ্ভীক আৰু নৈতিক জীৱন যাপন কৰিবলৈ সাহস যোগায়। মানৱীয় মূল্যবোধৰ গভীৰ প্ৰতিষ্ঠাৰ দ্বাৰা অন্ধবিশ্বাসৰ ভেটি দুৰ্বল হ'বলৈ বাধ্য, কিয়নো ই প্ৰতিজন মানুহৰ আত্মবিশ্বাস, স্ব-নিৰ্ভৰশীলতা আৰু পাৰস্পৰিক মৰ্যাদাক শক্তিশালী কৰে।

ব্যক্তিগত দৃঢ় সংকল্প আৰু নিৰন্তৰ আত্মপৰীক্ষা অন্ধবিশ্বাসৰ পৰা মুক্তিৰ যাত্ৰাত এক চূড়ান্ত আৰু গভীৰ প্ৰয়োজনীয়তা। অন্ধবিশ্বাসৰ শিপা কেৱল বাহিৰৰ সমাজতেই নাথাকে, ই প্ৰতিজন ব্যক্তিৰ মনৰ গভীৰতম স্থানতো শিপাই থাকে। সেয়েহে, প্ৰতিজন ব্যক্তিয়ে নিজৰ মনৰ অন্ধকাৰ দূৰ কৰিবলৈ নিজেই এক আন্তৰিক প্ৰচেষ্টা চলাব লাগিব। আত্মপৰীক্ষাৰ জৰিয়তে মানুহে নিজৰ মনত থকা যুক্তিহীন আৰু পুৰণি বিশ্বাসসমূহক চিনাক্ত কৰিব পাৰে আৰু সেইবোৰক পৰিত্যাগ কৰিবলৈ এক গভীৰ সংকল্প গ্ৰহণ কৰিব লাগে। এই সংকল্প বাস্তৱায়িত কৰাটো সহজ নহ'ব পাৰে, কিয়নো দীৰ্ঘদিন ধৰি লালন-পালন কৰি অহা বিশ্বাসক সহজে এৰি দিয়াটো মানসিকভাৱে কঠিন, কিন্তু জ্ঞান আৰু যুক্তিৰ সহায়ত এই যাত্ৰা সম্ভৱ। মানুহে বুজিব লাগিব যে জীৱনত অহা প্ৰতিটো দুৰ্যোগ বা সমস্যাৰ সমাধান তেওঁৰ নিজৰ চিন্তা, কৰ্ম, কষ্ট আৰু প্ৰচেষ্টাৰ ওপৰত নিৰ্ভৰ কৰে, কোনো অলৌকিক বা অদৃশ্য শক্তিৰ ইচ্ছাৰ ওপৰত নহয়। আত্মবিশ্বাস আৰু আত্মনিৰ্ভৰশীলতাৰ মনোভাৱে অন্ধবিশ্বাসৰ মূল ভেটিটোক আঘাত কৰে। যেতিয়া এজন লোকে নিজৰ শক্তি আৰু সামৰ্থৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখে, তেতিয়া তেওঁ আনৰ ওপৰত বা যুক্তিহীন ৰীতি-নীতিৰ ওপৰত ভৰসা কৰাৰ প্ৰয়োজন অনুভৱ নকৰে। এই ব্যক্তিগত জাগৰণ আৰু মানসিক পৰিৱৰ্তন এক গভীৰ আধ্যাত্মিক মুক্তিৰ সমতুল্য। যেতিয়া সমাজৰ প্ৰতিজন লোকে নিজে অন্ধবিশ্বাসৰ পৰা মুক্ত হ'বলৈ প্ৰতিজ্ঞা কৰে, তেতিয়াহে এক সুস্থ, বিজ্ঞানসন্মত আৰু প্ৰগতিশীল সমাজৰ সৃষ্টি সম্ভৱ হৈ উঠে। এই মুক্তিৰ যাত্ৰা কেৱল এক বৌদ্ধিক অনুশীলন নহয়, বৰং ই এক গভীৰ মানসিক আৰু নৈতিক পৰিৱৰ্তন, যিয়ে মানৱ জীৱনক স্বাধীনতা আৰু স্ব-নিৰ্দ্ধাৰণৰ এক নতুন অৰ্থ আৰু লক্ষ্য প্ৰদান কৰে।

যুক্তিবাদী আৰু সাক্ষ্যভিত্তিক সিদ্ধান্ত গ্ৰহণৰ অভ্যাস অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিয়াৰ এক ফলপ্ৰসূ উপায়। যুক্তিবাদী সিদ্ধান্ত গ্ৰহণৰ অৰ্থ হৈছে কোনো এক ধাৰণা বা কাৰ্য্যপ্ৰণালীক কেৱল অন্ধবিশ্বাস বা ব্যক্তিগত আৱেগৰ ওপৰত ভিত্তি কৰি গ্ৰহণ নকৰি, ইয়াৰ সপক্ষে উপলব্ধ প্ৰমাণ, তথ্য আৰু যুক্তিৰ বিশ্লেষণ কৰা। অন্ধবিশ্বাসৰ প্ৰধান দুৰ্বলতা হৈছে ইয়াৰ কোনো ধৰণৰ প্ৰমাণ নাথাকে, ই কেৱল বিশ্বাসৰ ওপৰত আধাৰিত। ইয়াৰ বিপৰীতে, সাক্ষ্যভিত্তিক প্ৰণালীয়ে মানুহক কোনো ৰোগৰ চিকিৎসা, জীৱনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত বা সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰত প্ৰমাণৰ ভিত্তিত আগবাঢ়িবলৈ উৎসাহিত কৰে। উদাহৰণস্বৰূপে, স্বাস্থ্যৰ ক্ষেত্ৰত কোনো ৰোগৰ চিকিৎসাৰ বাবে অলৌকিক বা যুক্তিহীন পদ্ধতি গ্ৰহণ নকৰি, চিকিৎসা বিজ্ঞানৰ পৰীক্ষণমূলক প্ৰমাণৰ ওপৰত বিশ্বাস ৰখা উচিত। সমাজে যদি প্ৰতিটো পদক্ষেপতে 'কি প্ৰমাণ আছে?' এই প্ৰশ্নটো উত্থাপন কৰাৰ অভ্যাস কৰে, তেন্তে অন্ধবিশ্বাসৰ প্ৰসাৰ স্বাভাৱিকতে হ্ৰাস পাব। এই পদ্ধতিয়ে মানুহক সমস্যাৰ মূল কাৰণসমূহৰ গভীৰতালৈ যাবলৈ শিকায় আৰু যুক্তিহীন ভ্ৰমৰ পৰা আঁতৰাই আনে। শিক্ষা প্ৰতিষ্ঠানসমূহে ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰা তথ্য বিশ্লেষণ কৰা, তথ্যৰ উৎস পৰীক্ষা কৰা আৰু সিদ্ধান্ত গ্ৰহণৰ সময়ত সাক্ষ্যক গুৰুত্ব দিয়াৰ অভ্যাস গঢ়ি তোলাৰ প্ৰশিক্ষণ দিয়া উচিত। এইদৰে, এক সাক্ষ্যভিত্তিক সংস্কৃতি গঢ়ি উঠিলে অন্ধবিশ্বাসৰ বাবে সমাজত কোনো স্থান নাথাকিব।

সাংস্কৃতিক সংস্কাৰ আৰু মুক্ত চিন্তাৰ পৰিৱেশ সৃষ্টি অন্ধবিশ্বাসৰ নিৰ্মূলৰ বাবে এক দীৰ্ঘম্যাদী আৰু গভীৰ প্ৰচেষ্টা। সংস্কৃতি হৈছে সমাজৰ বিশ্বাস, মূল্যবোধ আৰু আচৰণৰ সমষ্টি, আৰু অন্ধবিশ্বাস এই সংস্কৃতিৰ এক অংশ হিচাপে প্ৰজন্মৰ পিছত প্ৰজন্মলৈ বৈ আহিছে। সেয়েহে, অন্ধবিশ্বাসৰ পৰা মুক্তি লাভ কৰিবলৈ সাংস্কৃতিক সংস্কাৰ সাধন কৰাটো অতি প্ৰয়োজনীয়। ইয়াৰ অৰ্থ হৈছে পুৰণি, ক্ষতিকাৰক আৰু যুক্তিহীন ৰীতি-নীতি তথা ধাৰণাসমূহক পৰিত্যাগ কৰি নতুন, মানৱতাবাদী আৰু যুক্তিনিষ্ঠ মূল্যবোধসমূহক সংস্কৃতিৰ অংশ হিচাপে গ্ৰহণ কৰা। এই সংস্কাৰৰ বাবে সাহিত্য, কলা, সংগীত আৰু মাধ্যমসমূহক ফলপ্ৰসূ সঁজুলি হিচাপে ব্যৱহাৰ কৰিব পাৰি। কলা আৰু সৃষ্টিশীল কৰ্মৰ জৰিয়তে অন্ধবিশ্বাসৰ ক্ষতিকাৰক দিশসমূহক সমালোচনা কৰা আৰু যুক্তিনিষ্ঠ চিন্তাৰ প্ৰশংসা কৰা উচিত। ইয়াৰ উপৰিও, সমাজে এক মুক্ত চিন্তাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে, য'ত যিকোনো ব্যক্তিয়ে কোনো ভয় বা শাস্তিৰ আশ্ৰয় নোহোৱাকৈ যিকোনো ধৰণৰ প্ৰচলিত ধাৰণাক প্ৰশ্ন কৰিবলৈ সাহস কৰে। মুক্ত আলোচনা, স্বাস্থ্যকৰ তৰ্ক আৰু ভিন্ন মতক সন্মান জনোৱাৰ এই পৰিৱেশে অন্ধবিশ্বাসৰ একচেতীয়া অধিকাৰক ভাঙি পেলায়। যেতিয়া মানুহে বুজিব পাৰে যে তেওঁলোকৰ চিন্তা আৰু বিশ্বাসক প্ৰকাশ কৰাৰ স্বাধীনতা আছে, তেতিয়াহে তেওঁলোকে পুৰণি ভ্ৰমবোৰ এৰি নতুন সত্য গ্ৰহণ কৰিবলৈ সাজু হয়। এই সাংস্কৃতিক পৰিৱৰ্তনেই অন্ধবিশ্বাসমুক্ত সমাজ গঢ়াৰ এক গুৰুত্বপূৰ্ণ ভেটি।

ভয়ৰ পৰিৱৰ্তে আত্মবিশ্বাস আৰু সাহসৰ প্ৰতিষ্ঠা অন্ধবিশ্বাসৰ পৰা মুক্তিৰ এক মনস্তাত্ত্বিক পথ। অন্ধবিশ্বাসৰ জন্মৰ মূলতে মানুহৰ মনত থকা ভয় আৰু অনিশ্চয়তাৰ অনুভূতি লুকাই থাকে। জীৱনৰ দুৰ্যোগ, মৃত্যু, ৰোগ বা অজ্ঞাত ভৱিষ্যতৰ ভয়ৰ ফলত মানুহে এক অলৌকিক বা অতিপ্ৰাকৃত শক্তিৰ আশ্ৰয় লয়, যাৰ ফলত অন্ধবিশ্বাস গঢ় লৈ উঠে। সেয়েহে, এই ভয়ৰ পৰা মুক্তি লাভ কৰিবলৈ মানুহৰ মনত আত্মবিশ্বাস আৰু সাহসৰ ভাৱ সুদৃঢ় কৰাটো অত্যন্ত প্ৰয়োজনীয়। আত্মবিশ্বাসে মানুহক নিজৰ সমস্যাসমূহক নিজেই সমাধান কৰিবলৈ আৰু জীৱনৰ প্ৰত্যাহ্বানসমূহক সাহসেৰে সন্মুখীন হ'বলৈ প্ৰেৰণা যোগায়। যেতিয়া এজন লোকে নিজৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু নিজৰ সামৰ্থৰ ওপৰত বিশ্বাস ৰাখে, তেতিয়া তেওঁ কোনো বাহ্যিক শক্তিৰ ওপৰত ভৰসা কৰাৰ প্ৰয়োজন অনুভৱ নকৰে। সাহসৰ জৰিয়তে মানুহে সামাজিক চাপ, পাৰিবাৰিক চাপ আৰু আনৰ উপহাসৰ ভয়ক অতিক্ৰম কৰি যুক্তি আৰু সত্যৰ পক্ষত থিয় দিবলৈ সক্ষম হয়। শিক্ষা, ক্ৰীড়া আৰু অন্যান্য আত্মবিকাশমূলক কাৰ্যসূচীৰ জৰিয়তে শিশু আৰু যুৱক-যুৱতীসকলৰ মাজত এই আত্মবিশ্বাস আৰু সাহসৰ মনোভাৱ গঢ়ি তোলা উচিত। এই মানসিক শক্তিৰ বিকাশেই অন্ধবিশ্বাসৰ ভয়ভিত্তিক ভেটিটোক খহাই পেলায় আৰু মানুহক এক স্বাধীন, নিৰ্ভীক আৰু যুক্তিনিষ্ঠ জীৱন যাপন কৰিবলৈ সক্ষম কৰি তোলে।

উপসংহাৰত ক'ব পাৰি যে অন্ধবিশ্বাসৰ পৰা মুক্তিৰ পথ হৈছে এক বহু-মাত্ৰিক আৰু নিৰন্তৰ প্ৰচেষ্টা, য'ত জ্ঞান, যুক্তি, নৈতিকতা আৰু সাহসৰ সমিলমিল ঘটে। *১০ পৃষ্ঠাত*

# ডিব্ৰুগড়ত সোণোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ত সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত প্ৰতিষ্ঠা হোৱা 'সোনোৱাল কছাৰী কালচাৰেল ছ'চাইটি' নামৰ সংগঠনটোৱে (৩-১১-২৫) ডিব্ৰুগড়ৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰ প্ৰাংগণত প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰে। আৰম্ভণিতে বাইথ' মন্দিৰত চাৰিমুখীয়া চাকি প্ৰজ্বলন কৰি আৰাধ্য দেৱতা বাইথ'ৰ চৰণত সেৱা গ্ৰহণ কৰা হয়। সংগঠনটোৰ অধ্যক্ষ ভুৱন চন্দ্ৰ বড়াই পতাকা উত্তোলন কৰাৰ পিছতে শিল্পী জুবিন গাৰ্গৰ লগতে জনজাতিটোৰো সদ্যপ্ৰয়াত বিশিষ্ট ব্যক্তি অধিবক্তা কেশৰ চন্দ্ৰ সোনোৱাল, প্ৰাক্তন বিধায়ক ক্ষিৰোদ শইকীয়া, লেখক শিৱ নাথ সোনোৱাল, দিগন্ত হাজৰিকা, শিল্পী গায়ত্ৰী হাজৰিকা, অৱসৰী ডিপিআই ৰূদ্ৰেশ্বৰ সোনোৱাল, সমাজকৰ্মী মৃদুল সোনোৱালৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে অস্থায়ী প্ৰেক্ষাগৃহত ভুৱন চন্দ্ৰ বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা আৰু কৃষ্টি প্ৰদৰ্শন সভাত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি তথা গুৱাহাটী দূৰদৰ্শনৰ অৱসৰী সঞ্চালক দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে ভাষণত কয় যে বিশ্বত সৰু-সৰু জাতিবোৰ ডাঙৰ জাতিৰ মাজত বিলীন হৈ গৈছে। জনজাতীয় ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকি আহিছে। কৃষ্টি-সংস্কৃতিসমূহৰ বৈশিষ্ট্যতা নাইকিয়া হোৱাৰ উপক্ৰম ঘটিছে। দিনতো জনজাতীয় কৃষ্টিয়ে প্ৰয়োজনীয় সমাদৰ লাভ কৰা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াৰ বাবে সকলো জনজাতিৰ সংস্কৃতিৱান লোকসকল একত্ৰ হৈ কাম কৰাৰ এক পৰিৱেশ আহি পৰিছে যাৰ জড়িয়তে জনজাতি লোকসকলৰ কৃষ্টি-সংস্কৃতি সুৰক্ষিত হ'ব আৰু ইয়াৰ দ্বাৰা অসমীয়া জাতিও সুৰক্ষিত হ'ব। ছ'চাইটিৰ সচিব মণিকান্ত সোনোৱাল, মুখপত্ৰ-প্ৰচাৰ সচিব ৰতন হাজৰিকাই যৌথভাৱে আঁতধৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে জনজাতিটোৰ কেতবোৰ ভাল আৰু বেয়া দিশৰ কথা উল্লেখ কৰি এইক্ষেত্ৰত কালছাৰেল ছ'চাইটিকে ধৰি সংশ্লিষ্ট সকলো সংগঠনে ঐক্যবদ্ধভাৱে কাম কৰি যোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত লিখিত আদৰণি ভাষণ প্ৰদান কৰি সভাপতি ভুৱন চন্দ্ৰ বড়াই কয় যে সোণোৱাল কছাৰীসকলৰ ঐতিহ্যমণ্ডিত স্বকীয় বাৰেৰহণীয়া উপাদানেৰে বৰ্ণাঢ্য লোককলা, লোকবাদ্য, লোকসংগীত, বিভিন্ন নাচ, স্বকীয় সাজপাৰ, খাদ্য, লোকাচাৰ, লোক সম্পদ, পৰম্পৰাগত ও পুৰাতনীয়া বাইথ' পূজাকে আৰম্ভ কৰি বিভিন্ন পূজা-পাৰ্বণ, শিল্প, ভাস্কৰ্য আদিৰ চৰ্চা, অধ্যয়ন, গৱেষণা, অনুশীলন, প্ৰসাৰ, প্ৰচাৰ, সংৰক্ষণ তথা সংবৰ্ধন কৰিবলৈ আৰু এক শুদ্ধ তথা সকলোৰে গ্ৰহণযোগ্য আৰু পৰিপাটি ৰূপলৈ আনি সংস্কৃতিক এক জীৱন্ত আহিলা কৰি ৰাখিবলৈ কৰা প্ৰচেষ্টাই সোনোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ মূল লক্ষ্য আৰু উদেশ্য। এই প্ৰসংগতে সোণোৱাল কছাৰীৰ পুৰাতনীয় সংস্কৃতিৰ উৎস খ্ৰীং খ্ৰীং বাইথ' পূজা সংস্কৃতি মূল মূল শিপা বা আধাৰ বুলিও তেওঁ ভাষণত উল্লেখ কৰে। সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে ছ'চাইটিলৈ আগবঢ়োৱা ক'ৰ্পাছ ফাণ্ডৰ তিনি কোটি টকা মুকলি কৰি দিবলৈ সাজু বুলি উল্লেখ কৰি এক বিজ্ঞানসন্মত আৰু সৰ্বসন্মত আঁচনিৰে জনজাতিটোৰ সাংস্কৃতিক দিশৰ ছ'চাইটিয়ে উত্তৰণ ঘটাব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত কালছাৰেল ছ'চাইটিৰ এবছৰ পুৰ্তি উপলক্ষ্যে ৰতন হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত 'এবছৰীয়া পৰিক্ৰমা' উন্মোচন কৰে ডিব্ৰুগড় জিলা পৰিষদৰ অধ্যক্ষা পুষ্পাঞ্জলি সোণোৱালে। আনহাতে মণিকান্ত সোণোৱালৰ কথা, সুৰ আৰু পৰিকল্পনাৰে প্ৰস্তুত কৰি উলিওৱা সংগঠনটোৰ শীৰ্ষগীত 'অসমীৰ কোলাতে সোণ হৈ জিলিকে' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন বিধায়িকা জ্যোৎস্না সোণোৱালে। ইয়াৰ লগতে মণিকান্ত সোণোৱালৰ 'ভেকুলী বিয়াৰ নাম' আৰু এটি আধুনিক গীত 'অ পক্ষী বনৰীয়া' গীতটিও উন্মোচন কৰে জ্যোৎস্না সোণোৱালে। অনুষ্ঠানত জনজাতিটোৰ ছয়গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে বাইথ' সংস্কৃতিৰ সাধক প্ৰমোদ চন্দ্ৰ সোনোৱাল, শিক্ষাবিদ শান্তনু দাস বৰহাজোৱাল, শিল্পী দুৰ্গেশ্বৰ সোণোৱাল, জয়ৰাম হাজৰিকা, লেখক ভূপতি বৰুৱা আৰু মূল বাইথ' মন্দিৰৰ মজিন্দাৰ হেৰম্ব সোণোৱালক সোনোৱালী গামোচা, চেলেং আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত সকলৰ হৈ প্ৰমোদ চন্দ্ৰ সোণোৱালে চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত দুই নং চৰাইহাবি হুঁচৰি দলৰ সোণোৱাল হুঁচৰি, ডাঙৰীৰ বৰপথাৰ ৰঙাগড়াৰ লগ বিহু, টেঁপৰগুৰি ক্ষত্ৰি শাল নৃত্য একাডেমিৰ লেছেৰী, দলীয় লোকবাদ্য প্ৰদৰ্শনেৰে সভাস্থলি জীপাল কৰি তোলে। অনুষ্ঠানত সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সোনোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱালকে ধৰি সংগঠনসমূহৰনেতৃবৃন্দ আৰু ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু জনজাতিটোৰ সহস্ৰাধিক লোক উপস্থিত থাকে।

# নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য বৈঠক

## লখিমী মহন্তৰ কাব্যগাথা গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য বৈঠক নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী টোডী ভৱনত অনুষ্ঠিত হয়। নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য সভাৰ মাহেকীয়া বৈঠক উপ-সমিতিৰ সভাপতি কমল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত লিখিকা লখিমী মহন্তৰ নৱতম কাব্যগ্ৰন্থ 'কাব্যগাথা' উন্মোচন কৰে বিশিষ্ট সাংবাদিক গুৰমাইল সিঙে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত গুৰমাইল সিঙে কয় যে গ্ৰন্থই মানুহৰ মনত অনাবিল আনন্দ দিব পাৰে। বৰ্তমান সময়ত আধুনিক প্ৰযুক্তি বিদ্যাই উচ্চ শিখৰত আহৰণ কৰিছে যদিও গ্ৰন্থৰ চাহিদা কমা নাই। গ্ৰন্থ উন্মোচন অনুষ্ঠানত অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, নগাঁও জিলা সাহিত্য সভাৰ উপসভাপতি নবীন বৰঠাকুৰ, সাধাৰণ সম্পাদক ৰাজীৱ হাজৰিকা, সহকাৰী সম্পাদক প্ৰিয়ংকু শৰ্মাৰ লগতে শ্যমন্ত দাস, দিপ্তী দেৱী শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট সাহিত্যিক চন্দ্ৰ শইকীয়াৰ সঞ্চালনাত মাহেকীয়া সাহিত্য বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুকুৰিৰো অধিক কবিয়ে কবিতা আদি পাঠ কৰে। অনুষ্ঠানৰ আঁতধৰে সাহিত্য বৈঠকৰ আহ্বায়ক জিতেন শৰ্মাই।

# নগাঁৱৰ পশ্চিমাঞ্চলত কাতিমহীয়া আবতৰীয়া বৰষুণে দুঃচিন্তাত পেলাইছে কৃষকক

**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ পশ্চিমাঞ্চলত শেহতীয়াভাৱে হোৱা কাতিমহীয়া আবতৰীয়া বৰষুণে কৃষিজীৱী লোকসকলক চৰম দুঃচিন্তাত পেলাইছে। কিয়নো, এই বৰষুণে ধৰালৈ ক্ৰমাৎ শীত নমাই আনিছে যদিও ধাৰাষাৰ বৰষুণৰ সমান্তৰালভাৱে অহা বতাহে পথাৰৰ ধানবোৰ শুৱাই দিয়াত এইবোৰ নষ্ট হোৱাৰ উপক্ৰম ঘটিছে। উল্লেখ্য, এইবেলি আষাৰ-শাওন মাহত পথাৰত শালিধান ৰোপণ কৰাৰ সময়ত প্ৰচণ্ড খৰাঙৰ কৱলত পৰিছিল জিলাখনৰ পশ্চিম প্ৰান্তৰ বেবেজীয়া, জাজৰি, দক্ষিণপাট, বাংঠাই, ডিমৌ, কাছমাৰী, চকলাঘাট, হাতীচোং, কাকমাৰী, ৰাইদঙীয়া, বটদ্ৰৱা, ভোমোৰাগুৰি, ভালুকমাৰী, শেনচোৱা, দলংঘাট আদি বহু অঞ্চল। তথাপিও তাৰ মাজতে কৃষকসকলে বহু কষ্টৰে কৃষিকাৰ্য সম্পন্ন কৰিছিল। কিন্তু সম্প্ৰতি হোৱা কাতিমহীয়া আবতৰীয়া বৰষুণৰ ফলত এই গ্ৰামাঞ্চলবোৰৰ পথাৰসমূহত ৰোপণ কৰা আইজং, সোনামচুৰী, বৰা, কোমল আদি ওখ জাতৰ গেঁৰধৰা ধানবোৰ বাগৰি পৰাত কৃষকসকলে মূৰে-কপালে হাত দিবলগীয়াত পৰিছে। আনকি, পথাৰত বৰষুণৰ পানী জমা হৈ ধানৰ গুৰিবোৰ হালি পৰাত ধানবোৰ পতনুৱা হোৱাৰ আশংকাই দেখা দিছে। ইফালে, এই সময়তে ৰঞ্জিত, স্বৰ্ণ মাচুৰী, বাহাদুৰ, ৰঞ্জিত চাব ৱান আদি অধিক উৎপাদনক্ষম চুটিজাতৰ ধানৰ ফুলত পৰাগ উৎপাদন হয়। সেয়ে এনে সময়তে নেৰানেপেৰা বৰষুণ আৰু বতাহে ধানৰ ফুলবোৰ সৰাই ধানৰ উৎপাদন হ্ৰাস কৰাৰ দুৰ্ভাৱনাত চিন্তিত হৈ পৰিছে কৃষকসকল। তদুপৰি ঠায়ে ঠায়ে পকিবলৈ ধৰা ধাননি পথাৰত পানী জমা হোৱাত ধান কটাৰ সময়ত কৃষক ৰাইজৰ কষ্টৰ সীমা নোহোৱা হ'ব আৰু খৰচো বৃদ্ধি পোৱাৰ সম্ভাৱনাই দেখা দিছে । আনহাতে, এই কাতিমহীয়া বৰষুণে উপৰোক্ত অঞ্চলবোৰত শীতকালত উৎপাদিত ঘেঁহু, বুট, মটৰ, সৰিয়হৰ লগতে মূলা, গাজৰ, পিয়াজ, বিলাহী, কবি, বেঙেনা, লাই, লফা, পালেং, ধনীয়া আদি ৰবি শস্যসমূহৰ ক্ষেত্ৰতো ব্যপক প্ৰভাৱ পেলোৱা দেখা গৈছে।

# বংশৰত সদৌ অসম ভিত্তিত কলা, সংগীত আৰু নৃত্য প্ৰতিযোগিতাৰ আয়োজন

**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰত পাঠভৱন শিক্ষা ফাউণ্ডেশ্যন, বংশৰৰ উদ্যোগত অহা ১৬ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ বংশৰ তিনিআলিস্থিত পাঠভৱন শিক্ষা ফাউণ্ডেশ্যনৰ অস্থায়ী প্ৰেক্ষাগৃহত ভাৰতীয় ক্লাছিকেল (শাস্ত্ৰীয়) সংগীত, কলা আৰু আধুনিক সংগীত আৰু বিভিন্ন নৃত্যৰ ওপৰত এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। ১৬ নৱেম্বৰত কেইবাটাও শাখাত আৰ্ট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব, ২২ নৱেম্বৰত জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, জুবিন সংগীত, লোক সংগীত আৰু কাৰাওকে সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব, ২৩ নৱেম্বৰত লোক নৃত্য, আধুনিক নৃত্য, ধ্ৰুপদী নৃত্য, অৰ্ধধ্ৰুপদী নৃত্য আৰু সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব, ২৪ নৱেম্বৰত সামৰণী অনুষ্ঠানৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। অংশগ্ৰহণকাৰী সকলে ৮৭২৪৯-৫৩৯৩৭, ৬০০০৭-১৬৩৮১ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰি নিজৰ নামটো পঞ্জীয়ন কৰিব পাৰিব। লগতে ৰাইজৰ উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে স্কুল পৰিচালিকা পূৰৱী শৰ্মাই।

# ডিব্ৰুগড়ৰ বি ছি পি এলত সতৰ্কতা সজাগতা সপ্তাহ পালন




**ষ্টাফ ৰিপ'ৰ্টাৰ ডিব্ৰুগড় ঃ** কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ নিৰ্দেশনা অনুসৰি 'সতৰ্কতা - আমাৰ যৌথ দায়িত্ব' শীৰ্ষক বিষয়ত ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ পলিমাৰ লিমিটেড (বিছিপিএল) এ সতৰ্কতা সজাগতা সপ্তাহ ২৭ অক্টোবৰৰ পৰা ২ নৱেম্বৰলৈকে উদ্‌যাপন কৰে। এই অনুষ্ঠানত সকলো কৰ্মচাৰীয়ে পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমাইৰ উপস্থিতিত শপত গ্ৰহণ কৰে। সপ্তাহজোৰা বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হয় য'ত নাগৰিকসকলৰ অংশগ্ৰহণৰ জৰিয়তে সামাজিক জীৱনত সততা আৰু ন্যায়নিষ্ঠাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়। বিভিন্ন প্ৰশিক্ষণ, অনলাইন কুইজ প্ৰতিযোগিতা, প্ৰবন্ধ , প্ৰতিযোগিতা লগতে শ্লোগান প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই সতৰ্কতা সামৰণি অনুষ্ঠান বিছিপিএলৰ প্ৰশাসনিক ভৱনত অনুষ্ঠিত হয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকে মুখ্য প্ৰশাসনিক বিষয়া প্ৰাঞ্জল চাংমাই। সামৰণি অনুষ্ঠানত বি চি পি এলৰ জ্যেষ্ঠ বিষয়া পৃথ্বীৰাজ দাস, জয়ন্ত পাংগিং, হিতাংশু পালৰ লগতে বিছিপিএলৰ জ্যেষ্ঠ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

# ৰহাত সমষ্টি ভিত্তিত সফলতাৰে মেগা স্বাস্থ্য শিবিৰ সম্পন্ন

## শিবিৰত ৩৪৩৮ জনক চিকিৎসা কৰি ২৩৯ জনক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসম চৰকাৰৰ এক গুৰুত্বপূৰ্ণ আৰু অভিলাষী আঁচনি ‘শুশ্ৰূষা সেতু’ৰ অধীনত সমগ্ৰ ৰাজ্যজুৰি বিধানসভা সমষ্টি ভিত্তিত আয়োজিত হৈ থকা মেগা স্বাস্থ্য শিবিৰৰ অংশস্বৰূপে সোমবাৰে বাৰপুজীয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ব্যৱস্থাপনাত ৰহা সম-জিলা প্ৰশাসনৰ সহযোগিতাত চাপৰমুখৰ বি বি হাঞ্চাৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় (প্ৰাৰম্ভিক পৰীক্ষা শিবিৰ) আৰু ৰহা মীন বিদ্যালয়ৰ অতিথিশালা (বিশেষজ্ঞ শিবিৰ)ত ৰহা বিধানসভা সমষ্টি ভিত্তিত ‘বৃহৎ স্বাস্থ্য শিবিৰ-২০২৫’ অনুষ্ঠিত কৰা হয়। পুৱা এই স্বাস্থ্য শিবিৰটো বন্তি প্ৰজ্বলনৰ দ্বাৰা শুভাৰম্ভ কৰে বিধায়ক শশীকান্ত দাসে। বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে- অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ স্বাস্থ্যখণ্ডৰ উন্নয়নৰ বাবে বিভিন্ন ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰেই অংশৰূপে ৰহা সমষ্টি ভিত্তিক আয়োজিত এই মেগা স্বাস্থ্য শিবিৰটোৱে ৰহাৰ ৰোগাগ্ৰস্থ শিশু, কিশোৰ-কিশোৰীসকলক উন্নত চিকিৎসাৰ ক্ষেত্ৰত বিশেষ সহায় কৰিব। শুভাৰম্ভণী অনুষ্ঠানটোত উপস্থিত থাকি নগাঁও জিলা আয়ুক্ত ড° দেৱাশীষ শৰ্মাই কয় যে- এতিয়ালৈকে নগাঁৱত যিমান কেইটা মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈছে তাৰ ভিতৰত ৰহাৰ চাপৰমুখৰ এই শিবিৰটো সুন্দৰ আৰু সফল হৈছে। তেওঁ বক্তব্যৰ মাজতে ড° ভূপেন হাজৰিকাৰ ‘মানুহে মানুহৰ বাবে’ কালজয়ী গীতটো পৰিৱেশন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ৰহা সম-জিলা আয়ুক্ত ড° অংকিতা বৰা, অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়া, ৰহা সম-জিলা আৰক্ষী আয়ুক্ত সোনমনি শইকীয়া, মহমুকমা স্বাস্থ্য বিষয়া ড° গুণ গোবিন্দ দত্ত, ৰহা চক্ৰ বিষয়া সুপ্ৰভা ৰয়, ৰহা পৌৰসভাৰ পৌৰপতি বন্তি হাজৰিকা সহিতে আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা, জিলা পৰিষদৰ সদস্য আৰু পঞ্চায়তৰ সভাপতি-সভানেত্ৰীসকলৰ লগতে ৰহা উন্নয়ন খণ্ডৰ বিষয়া গুলচন চুলতানা, বি বি হাঞ্চাৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মালামণি বড়া আদি উপস্থিত থাকে। উক্ত শুভাৰম্ভণি অনুষ্ঠানৰ পূৰ্বে উপস্থিত সকলোৱে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায়। উক্ত শিবিৰটোত ডাঃ অনন্ত বিশ্বাস, ডাঃ বিকাশ প্ৰতিম গগৈ, ডাঃ আচিফ ভি, ডাঃ বিৰিনা বৰগোহাঁই, ডাঃ ইন্দ্ৰ মোহন বৰা, ডাঃ হিমাদ্ৰী দাসকে ধৰি বিশেষজ্ঞ চিকিৎসকৰ লগতে একুৰিৰো অধিক চিকিৎসকৰ দ্বাৰা স্বাস্থ্য পৰীক্ষাৰ লগতে হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণকে ধৰি বিভিন্ন ৰোগৰ বিনামূলীয়া নিৰ্ণায়ক পৰীক্ষা কৰা হয়। ইফালে, উক্ত মেগা স্বাস্থ্য শিবিৰটো সফল কৰি তোলাৰ ক্ষেত্ৰত বাৰপূজীয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ মুৰব্বী চিকিৎসক তথা মহকুমা স্বাস্থ্য বিষয়া ডাঃ গুণগোবিন্দ দত্তৰ নেতৃত্বত বিপিএম নাজিয়া খান, গাণনিক বসন্ত কুমাৰ বৰুৱা, বিচিএম বাচু ডেকাকে প্ৰমুখ্যে কৰি এনএইছএম ইউনিট, সকলো স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসক, আৰ বি এচ কে দল, চি এইচ অ’, এম পি ডব্লিউ, এচ ডব্লিউ, হেল্থ এডুকেটৰ, আশা চু পাৰভাইজাৰকে ধৰি সকলো স্বাস্থ্যকৰ্মীয়ে দায়িত্বশীলতাৰে সেৱা আগবঢ়োৱা দেখা যায়। উল্লেখ্য যে, শিবিৰটোত ৩৪৩৮ জন শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষাৰ কৰাৰ পাছত ২৩৯ গৰাকীক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয় বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জানিবলৈ দিছে।

# ২৭-২৮ ডিচেম্বৰত কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশন

## বিধায়ক ভবেশ কলিতাৰ সভাপতিত্বত প্ৰস্তুতি সভা


**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ৰঙিয়া সম জিলাৰ অন্তৰ্গত ডিমু ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সৌজন্যত অহা সাতাইশ ডিচেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে ডিমু কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গা মণ্ডপ প্ৰাংগণত অনুষ্ঠিত হ’বলগীয়া কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন বিশেষ বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাৰ সভাপতিত্বত যোৱা তেইশ ডিচেম্বৰত ডিমু কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গা মন্দিৰ প্ৰাংগণত এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি তৰণী চৰণ কলিতাই অধিৱেশনৰ ৰূপৰেখা সন্দৰ্ভত বক্তব্য আগবঢ়োৱাৰ লগতে অধিবেশনৰ সম্ভাব্য বাজেট উত্থাপন কৰে। আদৰণি সমিতিৰ সাধাৰণ সম্পাদক নগেন্দ্ৰ নাথ শালৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড° গণেশ্বৰ চহৰীয়াই অংশ গ্ৰহণ কৰি অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰত অহোপুৰুষাৰ্থ কৰা অসম সাহিত্য সভাৰ ভেটি শক্তিশালী কৰাত কামৰূপ জিলা সাহিত্য সভাই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰি অধিৱেশনৰ সফলতা কামনা কৰে। লেখক আৰু পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰাই সাহিত্য সভাৰ মূল উদ্দেশ্য বুলি মন্তব্য কৰি তেওঁ কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশনত স্থানীয় লোকসকলে প্ৰকাশ কৰ গ্ৰন্থ উন্মোচনত গুৰুত্ব প্ৰদান কৰে। কামৰূপ জিলা সাহিত্য সভাৰ উপ- সভাপতি ৰমেশ চন্দ্ৰ মেধি, কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়া, সাংগঠনিক সম্পাদক জয়ন্তজিত কলিতা, যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সদস্য তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাৰ নেতৃত্বত কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশন সফল হ’ব বুলি আশা প্ৰকাশ কৰে। কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি শিশুৰাম শইকীয়া, ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰমানাথ ভট্টাচাৰ্য, ভাৰপ্ৰাপ্ত সভাপতি দেবেন্দ্ৰনাথ ডেকা, অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মা, পুঠিমাৰী মহাবিদ্যালয়ৰ অবসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সন্থাৰ সভাপতি শৰৎ কুমাৰ কলিতা, বড়িগোগ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ জ্যোতিষ চন্দ্ৰ ডেকা, জ্যোতিষ কলিতা, আদৰ্শ কৃষক অনিতা দাসে সভাত অংশ গ্ৰহণ কৰি কামৰূপ জিলা সাহিত্য সভাৰ আগন্তুক মধ্যকালীন বিশেষ বাৰ্ষিক ডিমু অধিৱেশনখনৰ জৰিয়তে অসম সাহিত্য সভাৰ ইতিহাসত ডিমু ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ নাম জিলিকাই তুলিবলৈ সকলোকে আহ্বান জনায়। সভাপতিৰ ভাষণত বিধায়ক ভৱেশ কলিতাই ইতিহাস প্ৰসিদ্ধ কামৰূপক অতীজত প্ৰাগজ্যোতিষপুৰ আছিল বুলি মন্তব্য কৰি ঐতিহ্যমণ্ডিত আৰু ইতিহাস প্ৰসিদ্ধ জিলাখনৰ সন্মানাৰ্থে কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন বিশেষ বাৰ্ষিক ডিমু অধিৱেশনখন সাফল্যমণ্ডিত কৰাত গুৰুত্ব প্ৰদান কৰে। উল্লেখ্য যে যোৱা বাৰ জুলাইত অনুষ্ঠিত সাধাৰণ সভাত ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাক সভাপতি, তৰণী চৰণ কলিতাক কাৰ্যকৰী সভাপতি আৰু নগেন্দ্ৰ নাথ শালৈক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা কামৰূপ জিলা সাহিত্য সভাৰ মধ্যকালীন ডিমু অধিৱেশনৰ মূল আদৰণি সমিতি আৰু পোন্ধৰখন উপ-সমিতিক সভাই অনুমোদন জনায়। সভাৰ আৰম্ভণিত ত্ৰিবেণী শতদল শাখা সাহিত্য সভাৰ সম্পাদক কনক কৃষ্ণ ভট্টাচাৰ্যই বন্তি প্ৰজ্বলন অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ প্ৰতিচ্ছবি মাল্যাৰ্পণ কৰি মুকলি কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শতাধিক সাহাত্যানুৰাগীয়ে অংশ গ্ৰহণ কৰে।

# লখিমপুৰত জনজাতি সুৰক্ষা পৰিষদ অসমৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ IQAC ৰ সহযোগত বিশেষ আলোচনা চক্ৰ আৰু বক্তৃতামালা সভা সম্পন্ন



**চন্দন শৰ্মা, তেজপুৰ ঃ** লখিমপুৰ জিলাৰ লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শনিবাৰে জনজাতি সুৰক্ষা পৰিষদ অসমৰ উদ্যোগত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ IQAC ৰ সহযোগত জনজাতি ৰাজ্য আৰু আন্তঃৰাজ্যিক পাৰপত্ৰ অসমীয়া জাতিৰ সুৰক্ষা কৱচৰ সন্দৰ্ভত বিশেষ আলোচনা-চক্ৰ আৰু বক্তৃতামালা সভা সম্পন্ন হয়। কাৰ্যসূচী মৰ্মে প্ৰথমে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত এগছি বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলী প্ৰদানৰে সকলোৱে শিল্পীগৰাকীক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰধান সম্পাদক দীপক বৰাই আঁত ধৰা সভাত সভাপতিৰ আসন অলংকৃত কৰে জনজাতি সুৰক্ষা পৰিষদৰ মুখ্য সভাপতি তথা ডিব্ৰুগড় ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, অসম ভুমি সুৰক্ষা মহাসভাৰ প্ৰধান সচিব ডাঃ দুৰ্লভ চমুৱাই। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে মহাজাতি টুৱেন্টি ফ’ৰ লাইভ চেনেলৰ স্বত্বাধিকাৰ তথা সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপদেষ্টা ড° পৰশমনি সিংহ, সম্পাদক উদয় মোহন, সভাপতি আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গডইন হেমৰাম, সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি নিতুল ৰাজবংশী, সদৌ অসম নিবনুৱা সন্থাৰ সম্পাদক জীৱন ৰাজখোৱা, সদৌ অসম টাই আহোম মহিলা পৰিষদৰ সভানেত্ৰী মন্দীয়া চাংমাইৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত বিগত ১৯৯৭ চনতে গঠিত জনজাতি সুৰক্ষা পৰিষদে জন্মলগ্নৰে পৰা ইনাৰলাইন পাৰমিট প্ৰৱৰ্তনেৰে অসমখনক এখন জনজাতি ৰাজ্যৰ মৰ্যদাৰে থলুৱা সকলো জনগোষ্ঠীকে সুৰক্ষিত কৰিবৰ বাবে দাবী জনায় অহাৰ কথাও উল্লেখ কৰে।

# তেজপুৰ বিহগুৰিত শীতৰ আগমণত পুনৰ ৰাছেলছ ভাইপাৰ দেখা গ’ল



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ তেজপুৰৰ বিহগুৰি আৰু বৰাকটা নামৰ ঠাইখিনিত শীতৰ আগমণত বুধবাৰে দেখা পোৱা গৈছে ‘ৰাছেলছ ভাইপাৰ’। বিহগুৰি পিঠাখোৱা নিৱাসী হৃদয় নাথে সৰ্পবন্ধু সৌৰভ বৰকটকীক জনাই এই খবৰ। শীতৰ আগমণ হোৱাৰ লগে লগে ৰাছেলছ ভাইপাৰ পোৱা যায়। (Scientific name-Daboia russelii) ভাইপাৰ প্ৰজাতিৰ ভিতৰত ই অতি বিষাক্ত। ৰাছেলছ ভাইপাৰে ঠাণ্ডা পৰাৰ লগে লগে পথাৰত ৰ’দ লৈ বহি থকা পোৱা যায়। দিনৰ ভাগতো অধিক সক্ৰিয় হৈ পৰে। প্ৰাপ্তবয়স্কবোৰৰ গতি অলপ লেহেমীয়া হয়, কিন্তু চিকাৰৰ বাবে আক্ৰমণ কৰিব হ’লে অতি ক্ষিপ্ৰভাৱে আঘাত কৰিব পাৰে। ইহঁতৰ আঘাত বিজুলী বেগৰ লেখিয়া। তৎকালীনভাৱে ইহঁতে পাচিৰ মুখৰ দৰে বৃত্ত আকৃতি লৈ বহি থাকে আৰু আন সাপৰ তুলনাত কৈ বেছি জোৰেৰে ফোঁচফোচাই উঠে। এইবিধ প্ৰজাতিৰ সাপক ওচৰলৈ গৈ অসুবিধা দিলে আঘাত কৰিবলৈ সাপবিধ উদ্যত হয় আৰু ইমানেই ক্ষিপ্ৰতাৰে আক্ৰমণ কৰে যে সেই আক্ৰমণৰ পৰা ৰক্ষা পোৱাটো সহজ নহয়। Russells Viper এ মে’ মাহৰ পৰা নৱেম্বৰ মাহলৈকে পোৱালি জন্ম দিয়ে। একোডাল Russells Viper সাপে এটা সময়ত ২০-৪০ টাকৈ পোৱালি জন্ম দিয়ে। ইহঁতে নিগনি এন্দুৰ কেঁকোৰা চৰাই ধৰি চিকাৰ কৰে। নিশাৰ ভাগত খাদ্য বিচাৰি ফুৰে। অসমত পূৰ্বে Russells Viper অসম ৰাজ্যিক চিৰিয়াখানা নাছিল। তেজপুৰৰ সৰ্পবন্ধু সৌৰভ বৰকটকীয়ে যোৱা দুটা বছৰত পাঁচটা Russells Viper সাপ তেজপুৰ বিহুগুৰিত উদ্ধাৰ কৰি ৰাজ্যিক চিৰিয়াখানাত দিছে আৰু এটা আঘাটপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰি কাজিৰঙাৰ CWRC চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। তেখেতে তেজপুৰ বিহগুৰীবাসীক অনুৰোধ জনায় যে এই বিষাক্ত ৰাছেলছ ভাইপাৰ সাপটো দেখিলে ধৰিবলৈ চেষ্টা নকৰিব কাৰণ ইয়াৰ চিকিৎসা আছে যদিয়ো বৰ কষ্টকৰ। ৰাছেলছ ভাইপাৰৰ দংশনত বৃক্কৰ সমস্যা হয় ডায়েলাইচিচ্ছ কৰি সুস্থ কৰা হয়। কিন্তু এইটো কথা জনাতো দৰকাৰ যে Russells Viper সাপে দংশন কৰিলে 99% ডায়েলাইচিচ্ছ কৰিবই লাগিব তেনেহ’লে আপোনালোকে ভাৱক ই কিমান ভয়ানক। চৰকাৰী তথ্য মতে অসমত প্ৰথমটো মৃত্যুৰ ঘটনা তাৰিখ ২৫.১১.২০২০ তেজপুৰৰ বিহগুৰি ১৩ বছৰীয়া তন্ময় কেওট নামৰ এটি শিশু বাছেল ভাইপাৰ দংশনত মৃত্যু হৈছিল। এইটো অসমত প্ৰথম ঘটনা য’ত ৰাছেলছ ভাইপাৰৰ দংশনত মৃত্যু হৈছে। তন্ময়ক ৪০ টাকৈ এণ্টিভেনম দিয়াৰ পাছতো বচাব পৰা নগ’ল।

অসম চৰকাৰ

সমাজ জীৱনৰ বাটকটীয়াসকললৈ সন্মান প্ৰদৰ্শনেৰে




বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা
অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে

ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক বঁটা-২০২৫ ৰ বাবে

# মনোনয়ন আহ্বান

বিশেষ সুবিধাৰাজি

- নগদ পুৰস্কাৰ
- চৰকাৰী আৰু তালিকাভুক্ত ব্যক্তিগত চিকিৎসালয়ত ৫ লাখ টকালৈ বিনামূলীয়া চিকিৎসাৰ সুবিধা
- চৰকাৰী আৱৰ্ত ভৱন, অতিথিশালা আৰু অসম ভৱনত বিনামূলীয়া থকা-মেলাৰ ব্যৱস্থা
- চৰকাৰী অনুষ্ঠানসমূহত বিশিষ্ট অতিথিৰূপে নিয়মীয়া আমন্ত্ৰণ
- অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছত বিনামূলীয়া ভ্ৰমণ

- এগৰাকী ব্যক্তিয়ে নিজকে বা আন এগৰাকী ব্যক্তিক মনোনীত কৰিব পাৰে
- assamcivilianawards.assam.gov.in পৰ্টেলৰ জৰিয়তে লাভ কৰা মনোনয়নসমূহকহে কেৱল বৈধ বুলি বিবেচনা কৰা হ'ব।

মনোনয়ন দাখিলৰ অন্তিম তাৰিখ
**২০ নৱেম্বৰ, ২০২৫**

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

Janasanyog RO no 2875/25/7-November-25

# বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক অধ্যাপক ড° নগেন শইকীয়ালৈ অসম সাহিত্য সভাৰ প্ৰবুদ্ধ সন্মান 'সদসি ৱৰেণ্যঃ'

**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ অধ্যাপক ড° নগেন শইকীয়ালৈ অসম সাহিত্য সভাই প্ৰদান কৰিব অসম সাহিত্য সভাৰ প্ৰবুদ্ধ সন্মান 'সদসি ৱৰেণ্যঃ'। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই এটা বিবৃতিযোগে জানিবলৈ দিয়া মতে, অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ যোৱা ৪ অক্টোবৰত সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত তৃতীয় কৰ্ণধাৰ সমিতিৰ সভাই গ্ৰহণ কৰা প্ৰস্তাৱ আৰু ১১ অক্টোবৰত কাছাৰ জিলাৰ শিলচৰৰ বংগ ভৱনত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সমিতিৰ তৃতীয় পূৰ্ণাংগ শিলচৰ অধিৱেশনে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰখ্যাত সাহিত্যিক, অধ্যাপক ড° নগেন শইকীয়াক সভাই প্ৰবুদ্ধ সন্মান 'সদসি ৱৰেণ্যঃ' প্ৰদান কৰিব। অহা এক নৱেম্বৰত অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱনত দিনৰ ১০.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা এই সন্মান প্ৰদান অনুষ্ঠানলৈ অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে প্ৰখ্যাত সাহিত্যিকগৰাকীৰ ঘৰত উপস্থিত হৈ তামোল-পাণৰ শৰাই আগবঢ়াই অনুষ্ঠানটোলৈ আমন্ত্ৰণ জনায়। অধ্যাপক ড° নগেন শইকীয়াই অনুষ্ঠানটোত উপস্থিত থকাৰ সন্মতি প্ৰদান কৰে। সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত হ'ব লগা এই সন্মান প্ৰদান অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব। সন্মান প্ৰদান অনুষ্ঠানত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° সমুদ্ৰগুপ্ত কাশ্যপ, আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য ড° পীতাম্বৰ দেৱগোস্বামী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, অৰুণাচল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজিয়া ঝা, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অৰূপজ্যোতি চৌধুৰী, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মহাদেৱ পাটগিৰি, অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঞিঃ ৰাজকোঁৱৰ, সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জি সিংহানীয়া, নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ কুমাৰ বৰুৱাকে ধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব বুলি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জনাইছে।

# সত্য আৰু শান্তিৰ সন্ধানত

■ **সত্যব্ৰত বৰা**

নিজৰ প্ৰতিটো অংশক সম্পূৰ্ণৰূপে গ্ৰহণ কৰাটো এটা গভীৰ আৰু মুক্তিদায়ক ধাৰণা। এই নিষ্ঠাই জীৱনক অধিক সঁচা আৰু জীৱন্ত কৰি তোলে, যাৰ ফলত এক গভীৰ শান্তিৰ সৃষ্টি হয় যি একে সময়তে মজবুত হয় লগতে কোমলো হয়। এনে ধৰণৰ শান্তিৰ জৰিয়তে আমি নিজৰ সম্পূৰ্ণ ব্যক্তিত্বৰ সৈতে এক সুসংগত সংযোগ গঢ়ি তুলিব পাৰোঁ। ইয়াকেই আমি "ভাল জীৱন" বুলি অভিহিত কৰিব পাৰোঁ। মনোবিজ্ঞানৰ পথপ্ৰদৰ্শক কাৰ্ল আৰ. ৰজাৰ্ছৰ ১৯৬১ চনত প্ৰকাশিত গ্ৰন্থ "অন বিকামিং এ পাৰ্ছন"'ত এই ধাৰণাটোৰ গভীৰ বিশ্লেষণ পোৱা যায়। ৰজাৰ্ছৰ মতে, মানুহৰ মৌলিক স্বভাৱক যেতিয়া স্বাধীনভাৱে কাৰ্য্য কৰিবলৈ দিয়া হয়, তেতিয়া ই গঠনমূলক আৰু বিশ্বাসযোগ্য হৈ পৰে। এই দৃষ্টিভংগীয়ে মানৱতাবাদী মনোবিজ্ঞানৰ ভিত্তি স্থাপন কৰিছিল, য'ত ব্যক্তিগত বৃদ্ধি আৰু সৃষ্টিশীলতাৰ সাৰমৰ্ম সন্নিহিত হৈ আছে।

ৰজাৰ্ছৰ মতে, আমাৰ সম্পূৰ্ণ আত্মাক গ্ৰহণ কৰাটোৱেই হৈছে ব্যক্তিগত বিকাশৰ মূল চাবিকাঠি। আমি প্ৰায়ে নিজৰ বিষয়ে এটা নিৰ্দিষ্ট কাহিনী গঢ়ি তুলোঁ, য'ত আমি কেৱল আমাৰ গুণ, শক্তি আৰু সমাজৰ দ্বাৰা গ্ৰহণযোগ্য বৈশিষ্ট্যবোৰহে উজ্বল কৰি তোলোঁ। কিন্তু এই কাহিনীবোৰে আমাৰ জটিলতাক, আমাৰ দুৰ্বলতা, দ্বন্দ্ব বা অপছন্দৰ অংশবোৰক আঁতৰাই ৰাখে। উদাহৰণস্বৰূপে, যিজন ব্যক্তিয়ে নিজকে দয়ালু আৰু উদাৰ বুলি ভাবে, তেওঁ হয়তো নিজৰ স্বাৰ্থপৰতা বা ক্ষোভৰ মুহূৰ্তবোৰ স্বীকাৰ কৰিবলৈ অস্বীকাৰ কৰে। এনে ধৰণৰ অস্বীকৃতিয়ে আমাৰ ভিতৰত এক বিভাজনৰ সৃষ্টি কৰে, য'ত আমি প্ৰকৃততে যিজন আৰু আমি যি হ'ব বিচাৰোঁ, তাৰ মাজত এক অসঙ্গতিৰ সৃষ্টি হয়। ৰজাৰ্ছৰ মতে, এই অসঙ্গতি দূৰ কৰাৰ পথ হৈছে নিজৰ সকলো অংশক, আনকি যিবোৰে আমাৰ আত্মপ্ৰতিচ্ছবিক প্ৰত্যাহ্বান জনায়, তাক স্বীকাৰ কৰাটো।

এনে ধৰণৰ স্বীকৃতিৰ প্ৰক্ৰিয়া সহজ নহয়। ইয়াৰ বাবে সাহসৰ প্ৰয়োজন, কাৰণ আমি প্ৰায়ে নিজৰ দুৰ্বলতা বা অপূৰ্ণতাবোৰৰ সন্মুখীন হ'বলৈ ভয় কৰোঁ। কিন্তু ৰজাৰ্ছৰ মতে, এই দুৰ্বলতাবোৰ গ্ৰহণ কৰাটোৱে আমাক দুৰ্বল নকৰে; বৰং ই আমাৰ মানৱীয়তাক গভীৰহে কৰে। নিজৰ সম্পূৰ্ণতাক গ্ৰহণ কৰাৰ অৰ্থ এইটো নহয় যে আমি আমাৰ ভুলবোৰক ন্যায্যতা প্ৰদান কৰোঁ বা তাত আবদ্ধ হৈ থাকোঁ। বৰং, ইয়াৰ অৰ্থ হৈছে আমাৰ অভিজ্ঞতা, আৱেগ আৰু ইচ্ছাবোৰক এক সত্য হিচাপে স্বীকাৰ কৰা, যিয়ে আমাক অধিক সত্যবাদী জীৱন যাপনৰ সুযোগ দিয়ে।

ৰজাৰ্ছৰ দৃষ্টিভংগীৰ মূলত আছে মানুহৰ স্বভাৱৰ প্ৰতি তেওঁৰ বিশ্বাস। তেওঁৰ মতে, যেতিয়া মানুহক স্বাধীনভাৱে কাৰ্য কৰিবলৈ দিয়া হয়, তেতিয়া তেওঁলোকৰ স্বভাৱে গঠনমূলক দিশতো কাম কৰে। এই স্বাধীনতাৰ বাবে প্ৰয়োজন এক নিৰাপদ পৰিৱেশৰ য'ত আমি নিজৰ প্ৰকৃত সত্যৰ সন্মুখীন হ'ব পাৰোঁ। ভিতৰুৱাভাৱে, ইয়াৰ অৰ্থ হৈছে নিজৰ প্ৰতি দয়া আৰু কৌতূহলৰ ভাৱ গঢ়ি তোলা, নিজকে বিচাৰ নকৰাকৈ বুজি পোৱাৰ চেষ্টা কৰা। বাহিৰৰ পৰা ইয়াৰ বাবে প্ৰয়োজন এনে সম্পৰ্ক বা সমাজৰ যিয়ে আমাক বিনাচৰ্তে গ্ৰহণ কৰে। ৰজাৰ্ছৰ ভাষাত এইটোক "বিনাচৰ্তত গ্ৰহণ কৰা ইতিবাচক গ্ৰহণযোগ্যতা" বুলি কোৱা হয়, য'ত আমাৰ অপূৰ্ণতাৰ বাবে আমাক বিচাৰ কৰা নহয়। এনে পৰিৱেশত আমি নিজৰ সম্পূৰ্ণতাক অন্বেষণ কৰিবলৈ সাহস পাওঁ।

ইয়াৰ উদ্ভৱ হোৱা শান্তি গভীৰ কাৰণ ই সত্যৰ ওপৰত নিৰ্ভৰশীল। যেতিয়া আমি নিজৰ বিৰুদ্ধে যুঁজ দিয়া বন্ধ কৰোঁ, তেতিয়া আমি অস্বীকাৰ বা দমনৰ বাবে ব্যয় কৰা শক্তিক মুক্ত কৰি সেই শক্তিক অধিক পূৰ্ণ জীৱনৰ দিশত প্ৰয়োগ কৰিব পাৰোঁ। এই শান্তিৰ অৰ্থ দ্বন্দ্বৰ অনুপস্থিতি নহয়, বৰং বাস্তৱৰ সৈতে এক গভীৰ সংযোগহে । ৰজাৰ্ছৰ মতে, এই শান্তি শিলৰ দৰে মজবুত আৰু চৰাইৰ পাখিৰ দৰে কোমল। শিলৰ দৰে মজবুত হ'ব পৰা যায় নিজৰ বিষয়ে সম্পূৰ্ণ নিশ্চিত হোৱাৰ পৰা আৰু কোমলতা আহে পৰিৱৰ্তনৰ প্ৰতি মুকলি হোৱাৰ নমনীয়তাৰ পৰা।

এনে সততাই সৃষ্টিশীলতাকো প্ৰভাৱিত কৰে। যেতিয়া আমি নিজৰ সম্পূৰ্ণতাক গ্ৰহণ কৰোঁ, তেতিয়া আমি আমাৰ আৱেগ, অভিজ্ঞতা আৰু দৃষ্টিভংগীৰ এক সমৃদ্ধ উৎসৰ সৈতে সংযোগ স্থাপন কৰোঁ। এনে সৃষ্টিশীলতা কেৱল শিল্পৰ ক্ষেত্ৰতে সীমাবদ্ধ নহয়, বৰং জীৱনৰ বিভিন্ন দিশত, যেনে সমস্যা সমাধান বা সম্পৰ্ক গঢ়াতো প্ৰকাশ পায়। ৰজাৰ্ছৰ মতে, এই সৃষ্টিশীল জীৱন মানসিক স্বাস্থ্যৰ এক চিহ্ন, যিয়ে আমাক আত্মপ্ৰকাশৰ পথত আগুৱাই লৈ যায়।

ৰজাৰ্ছৰ ধাৰণাৰ প্ৰভাৱ কেৱল ব্যক্তিগত নহয়, ই সমাজৰ বাবেও গুৰুত্বপূৰ্ণ। আমাৰ সমাজে প্ৰায়ে একঘেয়ামী ধাৰণাৰ ওপৰত জোৰ দিয়ে। সততাৰ এই আহ্বানে আমাক নিজৰ আৰু আনৰ সৈতে সম্পৰ্কৰ ধৰণক পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰে। ভাল জীৱনৰ অৰ্থ বাহ্যিক সাফল্য নহয়, বৰং আভ্যন্তৰীণ সম্পূৰ্ণতাহে। এই পথত বাধা আছে কাৰণ সমাজৰ চাপে আমাক প্ৰায়ে আমাৰ জটিলতাবোৰ লুকুৱাবলৈ বাধ্য কৰে। কিন্তু ৰজাৰ্ছৰ মতে, সঠিক সমৰ্থন আৰু সাহসেৰে আমি এনে বাধা অতিক্ৰম কৰিব পাৰোঁ।

ৰজাৰ্ছৰ সুস্থ জীৱনৰ দৃষ্টিভংগী হৈছে নিজৰ সততাৰ প্ৰতি নিষ্ঠাবান হোৱাটো। যদিও সহজ নহয় তথাপি ই এক জীৱন্ত আৰু সত্য জীৱনৰ পথ মুকলি কৰে। নিজৰ সম্পূৰ্ণতাক গ্ৰহণ কৰি আমি কেৱল নিজকে বিচাৰি নাপাওঁ, বৰং আনকো তেওঁলোকৰ প্ৰকৃত সত্যৰ সৈতে সংযোগ স্থাপনৰ সুযোগ দিওঁ। এই সততাৰ জৰিয়তে আমি এনে এখন পৃথিৱী গঢ়ি তুলিব পাৰোঁ, য'ত সকলোৱে নিজৰ সম্পূৰ্ণতাক উদ্‌যাপন কৰিব পাৰে।

# হাতীচোঙত শংকৰদেৱ সংঘৰ আইলক্ষ্মী আঞ্চলিক শাখাৰ যুৱ-শিশু আৰু আইমাতৃ সমাৰোহৰ সামৰণি



**জয়ন্ত মুদৈ, নগাঁও ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ অন্তৰ্গত আইলক্ষ্মী আঞ্চলিক শাখাৰ যুৱ-শিশু আৰু আইমাতৃ সমাৰোহখনিৰ দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে হাতীচোং কমাৰচুকৰ ৰাজহুৱা ভৱনত সফল সামৰণি পৰে। কাৰ্যসূচী অনুসৰি পুৱা প্ৰাতঃ প্ৰসংগ, স্বচ্ছ অভিযান, ধৰ্মধ্বজা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰাতঃ প্ৰসংগ কৰে জিলা শাখাৰ সদস্য ৰাণা প্ৰতাপ দাসে, চাফাই অভিযানৰ শুভাৰম্ভ কৰে আইলক্ষ্মী আঞ্চলিক শাখাৰ প্ৰাক্তন সম্পাদক বাবুল চন্দ্ৰ মেধিয়ে, ধৰ্মধ্বজা উত্তোলন কৰে আইলক্ষ্মী আঞ্চলিক শাখাৰ সভাপতি ফনীন্দ্ৰ বৰাই আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে আদৰণি সমিতিৰ উপ-সভাপতি নীলকান্ত বনিয়াই। ইয়াৰ পাছতে সংঘৰ কমাৰচুক প্ৰাথমিক শাখাৰ আইমাতৃসকলে এটি দিহা নাম পৰিৱেশন কৰাৰ অন্তত সমাৰোহখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সংঘৰ মূলৰ সদস্য গোবিন চন্দ্ৰ দাসে। যুৱ-শিশু আৰু আইমাতৃ সমাৰোহৰ সভানেত্ৰী লিলি কোঁৱৰৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সমাৰোহখনিত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে এখন সমাজ আৰু এটা জাতি শক্তিশালী হ'বলৈ যুৱ প্ৰজন্ম শক্তিশালী হ'ব লাগিব বুলি উল্লেখ কৰি কয় যে--আমি গুৰুজনাৰ আদৰ্শৰে আগবাঢ়ি যাব লাগিব। সমাৰোহত সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকা, শৰণ সদস্য উমা হাজৰিকা, প্ৰাক্তন মূলৰ সদস্য ৰুদ্ৰ শইকীয়া, হৰিদাস ৰাজকুমাৰ, নগাঁও জিলা শাখাৰ সহকাৰী সম্পাদক দিপাংকৰ বৰদলৈ, জিলা সদস্য অজিত ভূঞা, ঘন বৰুৱা, কৃষ্ণ বৰা, আইলক্ষ্মী আঞ্চলিক শাখাৰ যুৱ-শিশু সমাৰোহৰ সম্পাদিকা অঞ্জু বনিয়া, গুৱাহাটী মহানগৰ জিলা শাখাৰ ৰূপনগৰ নামঘৰ বিষয়ববীয়া যোগেশ্বৰ দাস আদি উপস্থিত থাকে। ইয়াৰ পাছতে যুৱ, শিশু আৰু আইমাতৃ সমাৰোহৰ মূল কাৰ্যসূচী সংস্কৃতি আৰু সাহিত্য শাখাৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমাৰোহত শংকৰী বাদ্য, শংকৰী নৃত্য আৰু লোক সংগীত প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ অন্তৰ্গত আইলক্ষ্মী আঞ্চলিক শাখাৰ কমাৰচুক প্ৰাথমিক শাখা, মেধিচুক প্ৰাথমিক শাখা, সোণাৰীগাঁও প্ৰাথমিক শাখা, ৰজাগাঁও ১ নং প্ৰাথমিক শাখা, ৰজাগাঁও ২ নং প্ৰাথমিক শাখা আৰু মাধৱদেৱ প্ৰাথমিক শাখাৰ আতিথ্যত অনুষ্ঠিত হোৱা এই শিশু-যুৱ আৰু আইমাতৃ সমাৰোহখনি দুই সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। সমাৰোহখনি সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে সকলোকে আদৰণি সমিতিৰ সভাপতি ভাস্কৰজ্যোতি মেধি আৰু সম্পাদক অভিজিৎ দাসে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# তেজপুৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ বাবে কাঞ্চনজংঘাৰ অৱস্থান ধৰ্মঘট সম্পন্ন




**চন্দন শৰ্মা, তেজপুৰ ঃ** সাংস্কৃতিক নগৰী তেজপুৰৰ মাজমজিয়াত অৱস্থিত কলাভূমিৰ সন্মুখত বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায় পোৱাৰ কামনাৰে বুধবাৰে পুৱা এঘাৰ বজাৰ পৰা দুপৰীয়া এক বজালৈ কাঞ্চনজংঘা সাহিত্য - সংস্কৃতি - ক্ৰীড়া অনুষ্ঠানৰ উদ্যোগত আয়োজিত অৱস্থান ধৰ্মঘট সম্পন্ন হয়। কাঞ্চনজংঘাৰ সভাপতি ৰবীন্দ্ৰ কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানভাগত কাৰ্যসূচী মৰ্মে প্ৰথমে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক পূৰ্ণেশ্বৰ নাথ, চতিশ ভট্টাচাৰ্য, মহাজাতি টুৱেন্তি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহ, যুৱ কবি মনিষা বৰা সিংহ, সমাজসেৱীকা তৃপ্তি বৰদলৈ, ৰুবি আহমেদৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তিয়ে। যোৱা ১৯ ছেপ্তেম্বৰত সুদুৰ ছিংগাপুৰত মহানায়ক জুবিন গাৰ্গৰ মহাপ্ৰস্থানত ন্যায় পোৱাৰ কামনাৰে জুবিন গাৰ্গ অমৰ হওক, জুবিন গাৰ্গৰ হত্যাকাৰীক উচিত শাস্তি দিয়ক, কাঞ্চনজংঘা জিন্দাবাদ, জুবিন গাৰ্গ জিন্দাবাদ, জুবিন গাৰ্গৰ ন্যায় হ'বই লাগিব ধ্বনিৰে তেজপুৰৰ আকাশ বতাহ কঁপাই তোলাৰ লগতে মায়াবিনী শীৰ্ষক গীতটি সকলোৱে পৰিৱেশন কৰে।

# চেচাঁ নৈৰ বালিচৰত উন্মোচন, বিতোপন গগৈৰ কাব্য গ্ৰন্থ 'মেল'ডিজ'




**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** 'কিহৰ ৰাগীত ৰ'দ পৰি, ৰূপালী ছবি তোৰ হালধীয়া, দিহিৰিঅ' দিহিৰি, পানীৰ ছবিত জীৱন বিচাৰি, সেউজীয়াত নিদিবি ভৰি, পলস পৰি হৃদয়ৰ আঘাতত, শইচ গজিব দুয়োপাৰে আজি...।' এনেদৰেই অনাবিল অনুভূতি সিঁচি দিয়া কবি বিতোপন গগৈৰ পঞ্চমখন গ্ৰন্থ 'মেল'ডিজ' উন্মোচন কৰা হয় যোৱা ৩১ অক্টোবৰত লখিমপুৰ-বিশ্বনাথ জিলাৰ সীমান্তইদি বৈ যোৱা চেঁচা নৈৰ দলঙৰ তলৰ বালিচৰত। গুৱাহাটীৰ চন্দনা চৌধুৰীয়ে ইংৰাজীলৈ অনুবাদ কৰা মূল অসমীয়াৰে সৈতে ৭২ পৃষ্ঠাৰ কাব্য সংকলনখনি উন্মোচন কৰি বিশিষ্ট কবি, সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি বংশী বৰা অভিভূত হৈ পৰে। অৱসৰপ্ৰাপ্ত শিক্ষক জীৱন সন্দিকৈৰ সভাপতিত্ব কৰা মননশীল অনুষ্ঠানৰ অতিথি আছিল কবি-সমালোচক বিপুল কুমাৰ দিহিঙীয়া, অনুবাদক চন্দনা চৌধুৰী, সাংবাদিক প্ৰদীপ বৰা, দীপান্ত কাকতি, চিত্ৰনাথ গগৈ, পংকজ দেওধাই ফুকন, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ইন্দিৰা ফুকন, নাৰায়ণ চেতিয়া, ঠেনুমাই গগৈ দুৱৰাই, ইন্দ্ৰেশ্বৰ গগৈ, প্ৰফুল্ল দৈমাৰী, ৰমেশ গগৈ, ধনমণি চুতীয়া, মনোজ হাতীবৰুৱা, দেৱজিত ফুকন, টংকেশ্বৰ গগৈ, সঞ্জীৱ বসুমতাৰী, পল্লবী বৰা, ৰীনা বৰা, পপী লাহন আদি। উঃলখিমপুৰৰ শিক্ষক প্ৰেমধৰ গগৈ আৰু যমুনা চেতিয়াই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা গাম্ভীৰ্যপূৰ্ণ মুকলি প্ৰাকৃতিক পৰিৱেশৰ নান্দনিকতাপূৰ্ণ অনুষ্ঠানত গীত পৰিৱেশন কৰে যোগেশ্বৰ কোঁৱৰ, দুৰ্ল্লভ দিহিঙীয়া, সোণমনি গোঁহায়ে। প্ৰতিকূল বতৰ নেওচি উলাহময় পৰিৱেশত বিতোপন গগৈৰ পুত্ৰ খঞ্জনৰ নয়নৰ জন্ম দিনত আয়োজিত অনুষ্ঠানৰ আঁত ধৰে সাংবাদিক দেৱজিৎ দুৱৰাই আৰু শলাগ জ্ঞাপন কৰে ৰেখামনি হাতীবৰুৱাই। প্ৰণিধানযোগ্য যে, গ্ৰন্থখনিলৈ শুভেচ্ছা বাৰ্তা দিছে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে। ইংৰাজী আৰু অসমীয়াখণ্ডত পৃথকে আগকথা লিখিছে লেখক-সমালোচক ক্ৰমে গুপ্তজিৎ পাঠক আৰু ভূষণজোতি সন্দিকৈয়ে।উপস্থিত থকা সকলৰ একাংশ আছিল খৰ্গেশ্বৰী দুৱৰা, ধৰ্মেশ্বৰ বৰা, লীলা গগৈ, জোনালী বৰা, বিপিন তামুলী, গোলাপ গগৈ, যোগানন্দ গগৈ, উমেশ (দাদু) গগৈ, লক্ষী ফুকন, জুৰি গগৈ, দীপাঞ্জল গগৈ, ৰুবুল গগৈ, টুন ভূএগ, কবি জয়ন্ত হাজৰিকা, ৰিজু গগৈ, নিৰ্মালী মুদৈ, মাইনী দুৱৰা, ধ্ৰুৱ হাজৰিকা আদি।

# বটদ্ৰৱা থান পৰিচালনাৰ নতুন সমিতি গঠন

## পোন প্ৰথমবাৰৰ বাবে বেলট পেপাৰৰ দ্বাৰা নিৰ্বাচন, বিগত সমিতিৰ দুৰ্নীতিৰ তদন্তৰ বাবে বিশেষ তদন্ত সমিতি গঠন




**জয়ন্ত মুদৈ, নগাঁও ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থানৰ বটদ্ৰৱা থান পৰিচালনা সমিতিৰ ইতিহাসত সাধাৰণ সভাত প্ৰথমবাৰৰ বাবে বেলট পেপাৰৰ দ্বাৰা ভোটদান পদ্ধতিৰে সাধাৰণ সম্পাদক নিৰ্বাচন কৰা হয়। আচলতে, দেওবাৰে বিশিষ্ট সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° সমুদ্ৰ গুপ্ত কাশ্যপৰ পৌৰহিত্যত তথা নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা, জিলা নিৰ্বাচনী বিষয়া শ্বেখৰন ফুকন, সহকাৰী আয়ুক্ত অৰুণাভ চৌধুৰী, ধিং ৰাজহ চক্ৰৰ চক্ৰবিষয়া সৌৰভ কুমাৰ দাসকে প্ৰমুখ্য কৰি সমগ্ৰ নগাঁও জিলা প্ৰশাসনৰ লোকৰ লগতে বটদ্ৰৱাৰ শলগুৰি আৰু নৰোৱা সত্ৰৰ ভকত-বৈষ্ণৱ, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যৰ উপস্থিতিত অনুষ্ঠিত কৰা হয় সাধাৰণ সভা। নিশা প্ৰায় ১০ বজালৈকে অনুষ্ঠিত হোৱা এই সভাতেই ইতিহাস ভংগ কৰি প্ৰথমবাৰৰ বাবে সাধাৰণ সম্পাদকক লৈ অনুষ্ঠিত হয় বেলট যুদ্ধ। পিছত ভোটদান প্ৰক্ৰিয়াৰ জৰিয়তে আগন্তুক তিনিবছৰীয়া কাৰ্যকালৰ বাবে সৰ্বাধিক ভোট লাভ কৰি সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় বিশিষ্ট মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ। জানিব পৰা মতে, লাচিত বৰদলৈ, ভাস্কৰ বৰা আৰু প্ৰাঞ্জল বৰাৰ মাজত সাধাৰণ সম্পাদক পদৰ বাবে নিৰ্বাচন হৈছিল আৰু ফলাফলত লাচিত বৰদলৈয়ে ১৪৭টা ভোট লাভ কৰি জয়লাভ কৰে। বিপৰীতে ভাস্কৰ বৰাই ৫৪ টা আৰু প্ৰাঞ্জল বৰাই ১২৭ টা ভোট লাভ কৰে। ইফালে, সাধাৰণ সভাই সমগ্ৰ ৰাজ্যত বেছ চৰ্চা লাভ কৰা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ যোৱা চাৰিটা বছৰত হোৱা দুৰ্নীতি আৰু অনিয়মৰ তদন্তৰ বাবে ছয় জনীয়া এক বিশেষ তদন্ত সমিতিও গঠন কৰে। এই সমিতিখনে আগন্তুক ছয় মাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিব। উল্লেখ্য যে, অসমৰ অন্যতম পূণ্যতীৰ্থ বটদ্ৰৱা থানৰ পৰিচালনা সমিতি সম্বন্ধীয় বিতৰ্কই বিগত সময়ছোৱাত সংবাদ মাধ্যমৰ শিৰোনামা দখল কৰি আহিছিল। ইয়াৰ সমান্তৰালকৈ পৰিচালনা সমিতিৰ বিতৰ্কই মহামান্য উচ্চতম ন্যায়ালয়ৰ মজিয়া গৰকিছিল। আনকি, ২০২৪ বৰ্ষৰ ৯ জুনত অনুষ্ঠিত হোৱা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত পূৰ্বৰ সমিতিখনৰ দিনত সংঘটিত দুৰ্নীতি-অনিয়ম, বিত্তীয় খেলিমেলি আৰু বিভিন্ন অভিযোগত উক্ত সমিতিখনৰ ওপৰত অনাস্থা প্ৰস্তাৱ সৰ্বসম্মতি ক্ৰমে গৃহীত কৰি সমিতিখন ভংগ কৰা হৈছিল। তদুপৰি স্থানীয় ৰাইজ, ভকত-বৈষ্ণৱ, আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত সাধাৰণ সভাতে নগাঁৱৰ জ্যেষ্ঠ অধিবক্তা বিৰাজ মনি বৰদলৈক সভাপতি আৰু নগাঁৱৰ জ্যেষ্ঠ সাংবাদিক শৈলেন শইকীয়াক সম্পাদক হিচাপে লৈ এখন তদৰ্থ (অস্থায়ী) থান পৰিচালনা সমিতি গঠন কৰি থানৰ নিত্য-নৈমত্তিক কাম-কাজৰ লগতে প্ৰশাসনিককে ধৰি সকলো কাম-কাজ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। সেই পৰিপ্ৰেক্ষিত্বত তদৰ্থ সমিতিখনে থানৰ নিয়মাৱলী, পৰম্পৰা অক্ষুন্ন ৰাখি যোৱা বৰ্ষৰ ১২ জুনত শপত বাক্য পাঠ কৰি দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে নতুন সমিতিয়ে পূৰ্বৰ সমিতিখনলৈ সকলো নথ-পত্ৰ আৰু চাবিকাঠি বিচাৰি পত্ৰ প্ৰেৰণ কৰিবলগীয়া হৈছিল। কিন্তু বিতৰ্কিত পুৰণি সমিতিয়ে সামগ্ৰী সমূহ নিয়মমতে চমজি নিদি নগাঁও আদালতৰ পৰা এক একপক্ষীয় নিষেধাজ্ঞা জাৰি কৰাৰ পাছত বিষয়টো প্ৰথমে উচ্চ ন্যায়ালয় আৰু পৰৱৰ্তী পৰ্যায়ত উচ্চতম ন্যায়ালয়লৈকে লৈ গৈছিল।

# নগাঁৱৰ আৰ্ট ভিলেজত বিশিষ্ট কবি ডাঃ প্ৰয়াগ শইকীয়াৰ গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ আৰ্ট ভিলেজত অসমৰ বিশিষ্ট কবি প্ৰয়াগ শইকীয়াৰ কাব্যগ্ৰন্থ 'কালিকা লগা কথাৰ বাটেৰে' উন্মোচন কৰা হয়। শিশুশিল্পী সনভ দাসে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত এখনি তোটয় পৰিৱেশন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। উক্ত কাব্যগ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট কবি জীৱন নৰহে লগতে সহযোগিতা কৰে বিশিষ্ট কলা সমালোচক অংকুৰ ডেকা, বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতি, বিশিষ্ট অনুবাদক কৃষ্ণ দুলাল বৰুৱা, বিশিষ্ট সংগঠক নৌশাদ আখতাৰ হাজৰিকা, বিশিষ্ট শিক্ষাবিদ সদানন্দ পায়েঙকে ধৰি বহুকেইজন গণ্যমান্য ব্যক্তিয়ে। গ্ৰন্থ উন্মোচন কৰি বিশিষ্ট কবি জীৱন নৰহে প্ৰয়াগ শইকীয়াৰ যোল্লখন গ্ৰন্থৰ ভিতৰত এই গ্ৰন্থখন অতি বিশেষ বুলি ব্যক্ত কৰি কয় যে, উক্ত গ্ৰন্থখনত কবি গৰাকীৰ নিৰ্বাচিত কবিতাখিনিয়ে স্থান লাভ কৰিছে। বিশিষ্ট সাহিত্য সমালোচক অৰিন্দম বৰকটকীৰ দ্বাৰা কবি গৰাকীৰ ছাপন্নটি নিৰ্বাচিত কবিতা প্ৰকাশ কৰা হৈছে। কবি প্ৰয়াগ শইকীয়াই এই গ্ৰন্থখনৰ আঁৰত বিশেষকৈ উৎসাহ যোগোৱা বুক নুক কেফেৰ সত্বাধিকাৰী প্ৰশান্ত বৰাৰ শলাগ লয়। গ্ৰন্থ উন্মোচনী সভাৰ সৈতে সংগতি ৰাখি জ্যোতি চিত্ৰাঙ্কণ বিদ্যালয়ৰ চিত্ৰকলাত বিশেষ দক্ষতা দেখুওৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুৰষ্কাৰ বিতৰণ কৰা হয়। বিশিষ্ট কলা সমালোচক তথা সাহিত্যিক অংকুৰ ডেকাৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই এটি নাহৰ পুলি উপহাৰ স্বৰূপে আগবঢ়োৱা হয়। কলা সমালোচক গৰাকীয়ে প্ৰখ্যাত শিল্পী লিওনাৰ্দ ডা ভিঞ্চি, মাইকেল এঞ্জেলো, ৰেমব্ৰান্ট আৰু ভিনচেন্ট ভেনগগৰ বিষয়ে উল্লেখ কৰি বিশ্ব শিল্পকলা জগতৰ বহু কথা ছাত্ৰ-ছাত্ৰীৰ আগত ব্যক্ত কৰে। অনুষ্ঠানত লোকশিল্পী গোলাপ বৰা, সাহিত্যিক অশোকৰাম ভট্টাচাৰ্য, দুলাল বৰা, দেৱেন শইকীয়া, পাপুল বৰা, ৰাতুল শইকীয়াকে ধৰি জ্যোতি চিত্ৰাংকন বিদ্যালয়ৰ শিক্ষক -শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰে জ্যোতি চিত্ৰাংকন বিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট চিত্ৰশিল্পী সুজিত দাসে।

# নগাঁৱৰ ভিন্ন প্ৰান্তত এতিয়া ৰাসৰ প্ৰস্তুতি

## নগাঁৱৰ কেইবাখনো ৰাসে এইবাৰ দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিব



**পংকজ শইকীয়া, নগাঁও ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ ভিন্ন প্ৰান্তত এতিয়া ৰাসৰ প্ৰস্তুতি প্ৰায়েই সম্পূৰ্ণ হৈ উঠিছে। ৰাস পূৰ্ণিমা তিথিৰ দিনাখনেই শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদ্‌যাপন কৰা হয়। ঠায়ে ঠায়ে কিন্তু সেই তিথিৰ পিছতো ৰাস উদ্‌যাপন কৰা দেখিবলৈ পোৱা যায়। প্ৰভূ শ্ৰীকৃষ্ণৰ নিৰাকাৰ ৰস সমূহৰ আকাৰ প্ৰদান কৰি বৰ্তমান যুগৰ লোক সকলক নাটক আৰ্হিত এক আমোদ দিয়াৰ প্ৰৱণতাই হৈছে ৰাসলীলা। সমগ্ৰ অসমৰ ৰাইজ সকলৰ লগতে নগাঁও জিলাতো এতিয়া হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগত শোকত ভাগি পৰিছে। সকলোৰে চকুজুৰি এতিয়া সেমেকা যদিও পৰম্পৰা ৰক্ষা কৰাৰ স্বাৰ্থত নগাঁও জিলাৰ ভিন্ন প্ৰান্তত এতিয়া ৰাসৰ আখৰাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। জানিব পৰা মতে- ননৈ, বঢ়মপুৰ, কামপুৰ, কঠীয়াতলি, পাথৰি, মৰিকলং, বৰঘাট, শেনচোৱা, ৰূপহী, ডিমৰুগুৰি, মধুপুৰ, কাকী, চাপানলা, পুৰণিগুডাম, চামগুৰি, কলিয়াবৰ, মিছা, উৰিয়াগাঁৱকে আদি কৰি নগাঁও জিলাৰ চহৰে-গাঁৱে এতিয়া ৰাস উদ্‌যাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। পূৰ্বৰ ৰাসৰ তুলনাত এতিয়া ৰাস উদ্‌যাপন কৰা পদ্ধতি সলনি হৈছে। এতিয়া নগাঁৱৰ কোনো কোনো অঞ্চলত মঞ্চত ৰাস উদ্‌যাপন কৰাও দেখিবলৈ পোৱা যায়। এয়া আধুনিক যুগৰ লগত খোজ মিলাই একচাম লোকৰ এক অবিৰত প্ৰয়াস। 'কেলিগোপাল' নাটকৰ আধাৰত প্ৰভূ শ্ৰীকৃষ্ণই শৰতকালৰ ৰাতি ১৬০০ গোপীৰ মাজত অতি বিতোপন মনেৰে নৃত্য-গীতৰ মাজেদি ৰাসক্ৰীড়া কৰি মনৰ তৃপ্তি লাভ কৰিছিল। সেই পৰম্পৰা ধৰি ৰখাৰ স্বাৰ্থত এতিয়া এই শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা ৰাইজে উদ্‌যাপন কৰি আহিছে। এইবাৰ নগাঁও জিলাৰ কেইবাখনো ৰাসৰ মঞ্চ-সজ্জাই ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বুলিও জানিব পৰা গৈছে। এয়া নগাঁওবাসী ৰাইজৰ বাবে এক শুভ লক্ষণ। উল্লেখ্য যে নগাঁৱৰ এক শ্ৰেণীৰ বুদ্ধিজীৱি আৰু সাংস্কৃতিবান লোকে পূৰ্বৰ পৰম্পৰা বজাই ৰখাৰ স্বাৰ্থত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা সম্পূৰ্ণ দৃশ্যাৱলী যুৱ চামৰ মাজত অধিক প্ৰসাৰ আৰু বিস্তাৰিত কৰিবলৈ জ্যেষ্ঠ সকললৈ আহ্বান জনায়।

## হেৰাইছে

মোৰ জন্মৰ প্ৰমাণ-পত্ৰখন হেৰাইছে। মোৰ নাম প্ৰাপ্তি কোঁৱৰ আৰু দেউতাৰ নাম শ্ৰীকেশৱ কোঁৱৰ, ঠিকনা ঃ লক্ষীনগৰ, নগাঁও, অসম। মোৰ পঞ্জীয়ন নং ঃ ৭৩২ আৰু জন্মৰ তাৰিখ ১৫-১১-০৬।



## এঘৰীয়াকৰণ

**হেৰম্ব নাথ**

খাব পাৰি কিন্তু পুহিব নোৱাৰি
আজব দেশৰ আজব কাণ্ড।
তেজৰ ৰঙ একেই
মানুহ একেই
চোলাৰ ৰঙ বেলেগ বেলেগ।
যদি ৰাইন চপ খুলিব পাৰি
ব্ৰইলাৰ ফাৰ্ম খুলিব নোৱাৰি কিয়?
কোনে দিব মোক জীৱিকাৰ পথ?
কেনেকৈ জীয়াই থাকিম?
মই শিক্ষিত নিবনুৱা।
প্ৰশিক্ষণ লৈ ব্ৰইলাৰ ফাৰ্ম খুলিছোঁ
মই ৰাগীয়াল দ্ৰব্য সেৱন নকৰোঁ
সেইবোৰৰ ব্যৱসায়ো কৰা নাই।
মদে কি নকৰে---
চিগাৰেটে কেন্সাৰ আনে দেহলৈ
লিখাই থাকে পেকেটৰ ওপৰত।
মদৰ বটলতো তথৈবচ।
কিন্তু ব্ৰয়লাৰ এটা বৰ্ণসংকৰ প্ৰাণী
যিটো বিজ্ঞানৰ অৱদান
তাতে আকৌ এঘৰীয়াকৰণ কিয়?
যদি আপুনি কেন্সাৰ সৃষ্টিকাৰীৰ দোকান দিব পাৰে

মই বাৰু ব্ৰয়লাৰ পুহিব নোৱাৰোঁ কিয়?
য'ত জীৱ ত'ত ধৰ্ম
য'ত জীৱ ত'ত শিৱ
এইবোৰ ক'ত গ'ল।
কিবা আউটডেটেড নেকি?
যেতিয়া তেজৰ প্ৰয়োজন হয়
তেতিয়া কি কৰোঁ আমি?
বিচাৰ কৰোঁনে---
শৰ্মা-গোস্বামী-কলিতা-নাথ-দাস আদিৰ?
নে ভকত-বৈষ্ণৱ-ব্ৰাহ্মণ-ক্ষত্ৰিয়ৰ বিচাৰ কৰোঁ?
আমি মানুহ জীৱ শ্ৰেষ্ঠ প্ৰাণী
মানুহেই দেৱ
মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
মিছাতে বিতৰ্কত লিপ্ত হওঁ কিয়?
আকাশ একেখন
বায়ু একেই পানী একেই
তাতে আকৌ ভেদাভেদৰ প্ৰাচীৰ কিয়?
অন্তিম গতি সকলোৰে একে
সনাতনী সত্য পৰম্পৰা
হে মানৱ।

বান্ধোন থাকিব লাগে ক'ত
য'ত আত্মাই পায় নিদাৰুণ কষ্ট
বিশ্বাস থাকিব লাগে ক'ত
পিতৃ ধৰ্মত
ভগৱান আছে ক'ত
নিজৰ হৃদয়ত
আপুনি আপোন বন্ধু
আপুনি আপোন শত্ৰু
প্ৰকৃততে আপোনাৰ শত্ৰু কোন?
আপোনাৰ আত্মাক আঘাত কৰা হেতুবোৰহে।
ব্ৰয়লাৰ আপোনাৰ শত্ৰু নহয়
এঘৰীয়াকৰণ কৰিলেই সমাজ শুদ্ধ-সংস্কাৰ নহয়
যিয়ে নিজৰ আত্মাক কলংকিত কৰে সেইবোৰক
এঘৰীয়াকৰণ কৰক
বিজ্ঞানমনস্কতাক প্ৰোথিত কৰক হিয়াৰ থাপনাত।
একতা অবিহনে দেশৰ উন্নয়ন সুদূৰপৰাহত
পৰিত্যক্ত হৈ থাকিব মাৰ্কশ্বিট-চাৰ্টিফিকেট
যদিহে সমাজত জীৱিকাৰ বাবে এঘৰীয়াকৰণ প্ৰথা
প্ৰচলিত হৈ থাকে।
মনত ৰাখিব- মানৱ সেৱাই পৰম ধৰ্ম।

**ম'বাইল ঃ ৭০০২৭৯৭৫৪০**

## হৃদয়ৰ দোমোজাত

**চিমী বৰুৱা,** মৰিগাঁও

হৃদয়ৰ দোমোজাত,
বতাহৰে নিদিয়া সুৰটো বাজে-
মৌনতা, পুৱাৰ তেজপাতে জঁপিয়াই যায়।
নিদ্ৰাহীন আকাশখনত
এখন গোপন চিঠি লিখে চন্দ্ৰে,
আমি পঢ়ো নাছো,
কিন্তু সেই অক্ষৰবোৰ টৌৰ দৰে
বিচাৰি আহে বুকুৰ তলৰ পৰা।
হৃদয়ৰ দোমোজাত,
অসীম পথ, অচিন সপোন,
মিলন আৰু বিচ্ছেদৰ মাজত
এটা স্থিৰ নদী বৈ থাকে-
য'ত সময়েও হাত ধুই যায়।
কেতিয়াবা ভাবো,
এই দোমোজাটো যদি মাত্ৰ দুয়োটা হৃদয়ৰ নহয়,
প্ৰকৃতিয়ে নিজেই এক টানটান সুৰ,
য'ত সকলো ভালপোৱা
এটা অব্যক্ত কবিতাৰ ৰূপ ধৰে।
তেতিয়া আমি দুয়ো-
বতাহ, পাণী, আগুনী আৰু মাটি,
এটাই অনুভৱৰ মাজত গিলি যাওঁ,
একেটা শব্দত বিলীন-
"তুমি"।

**ম'বাইল ঃ ৭০৯৯৭-৪৭৬৪৩**

## ফাগুন প্ৰেমৰ উশাহ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

তোমাৰ উশাহত
মোৰ উশাহ বিলীন আৰু
এখন সাতোৰঙী হৃদয়
প্ৰেমৰ উশাহত জীপাল।
এপাহ ৰঙা গোলাপৰ
সৌন্দৰ্য্য বিচাৰি
প্ৰেমৰ বঁকিয়া বগাই সন্ধান কৰোঁ
জীৱনৰ ৰঙীন ঐশ্বৰ্য্যৰ।
শিমলু, পলাশ, মদাৰ ৰঙতে ৰাঙলী
জুইফুল ফুলে আকাশত
ফাগুন তাৰ প্ৰেমত বাউলী
উদুলি-মুদুলি হৃদয় বাটচ'ৰা
ধূলিয়ৰী বাটেৰে ফাগুন আহে
আউলী-বাউলী চুলিটাৰি মেলি।
হৃদয় ফুলৰ ৰক্তবৰ্ণ গোলাপ
ৰক্তেৰে সিক্ত জোনাকী গেৰুৱা বাট
ধূলি-ধূসৰিত প্ৰেমৰ প্ৰতিটো পৃষ্ঠা
ফাগুন প্ৰতিজন মানুহৰ
জীৱন প্ৰেমৰ আলাপ
এক জীয়া কঠিন সংলাপ।
**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

## মুকুতা

**প্ৰয়াগ শইকীয়া**

মুকুতা মুকুতা তোমাৰ মন
কবিতা কবিতা
তোমাৰ জীৱন
বুকুত তোমাৰ মন বীণাৰে অনুৰণন

ফুল নিচিঙিবা
বিৰিখৰ কেতেকীক
বিনাব নিদিবা
অকালতে পৰিব
দুখৰে ক্ষণ

মুকুতা মুকুতা তোমাৰ মন
কবিতা কবিতা
তোমাৰ জীৱন

লুণীয়া চকুলোৰে ক'লৈ তুমি আছিলা
লুনীয়া সাগৰৰে ধন।

## মই আকাশ চুব খোজোঁ

**কল্যাণী গগৈ (মুনু)**
চিলাপথাৰ, ধেমাজি

অন্যায়ৰ পথেৰে নহয়,
সত্যৰ অনুসন্ধানেৰে
মই আকাশ চুব খোজোঁ।
হিংসা, দ্বিধাবোধেৰে নহয়,
অহিংসা আৰু সৰলতাৰে
সকলোৰে সতে মিলি
সফলতাক আজুৰি আনিব খোজোঁ।
অন্যায়, অবিচাৰ নীৰৱে সহ্য কৰি নহয়,
সত্যৰ পথত থাকি অন্যায়ৰ বিৰুদ্ধে যুঁজি
এখনি সভ্য সমাজ গঢ়িব খোজোঁ।
অন্ধবিশ্বাস, অপবাদ আৰু
কুসংস্কাৰক প্ৰশয় দি নহয়,
বিজ্ঞানৰ নৱ চিন্তাৰ সতে আগুৱাই
সত্যক প্ৰতিপন্ন কৰিব খোজোঁ।
ধনী-দুখীয়া বুলি গণ্য কৰি নহয়,
উচ্চ-নীচ ভেদ ভাৱ আঁতৰাই
সমাজৰ সকলোকে
একতাৰ দোলেৰে বান্ধি,
সম মৰ্যদাৰ অধিকাৰী হিচাপে
প্ৰতিষ্ঠিত কৰিব খোজোঁ।
হয়, মই আকাশ চুব খোজোঁ
কিন্তু অকলে নহয়,
জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে
ঐক্য হৈ সপোন পূৰণৰ বাবে
হাতে হাত ধৰি আগুৱাব খোজোঁ।
দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদী হৈ
সমাজত ন্যায় আৰু ঐক্য স্থাপন কৰি
মই আকাশ চুব খোজোঁ।

**ম'বাইল ঃ ৯৩৬৫৯-৬১২৫৪**

## প্ৰিয়ামিলনৰ ভক্তিত ৰাধা

**যমুনা দুলু বৈশ্য,** শুৱালকুছি

পূৰ্ণিমাৰ জোনালী ৰাতি
কি যে বিতোপন-
যমুনা নদীখন শুভ্ৰ বালিচন্দাবোৰত
তিৰবিৰাইছে চোৰাচোন সখী, পানীবোৰ,
মনোমোহা পঞ্চসুৰেৰে বাঁহীৰ মধুগুঞ্জন
সুৰৰ ঝংকাৰত অমৃত বৰষিছে
আজি ৰাধাৰ হাঁহি,
কৃষ্ণৰ প্ৰেমত বলিয়া কৰিছে
উন্মনা হৈ-
গোপীসকলোৰে আজি
মন ব্যাকুল -
প্ৰকৃতিৰ আকুলতাই বাউলি হৈছে
প্ৰিয়ামিলনত ভক্তিত ৰাধা
উজাগৰি নিশা--
হে কানাই প্ৰভু দিয়া দৰশন
কদমৰ তলত মোহন মুৰালীয়ে
বজাইছে বাঁহী--
আজি বৃন্দাবনত উতনুৱা হৈছে
হৃদয়ত প্ৰাণ পাই মুৰুলীৰ ধ্বনিত
ৰাসক্ৰীড়া কৰিবলৈ শুভ্ৰ কিৰণত
আলোকিত কৰি উৎসৱ মুখৰ হৈ
চৌদিশ নাচি উঠিছে,
শ্ৰীকৃষ্ণক পোৱাৰ আশাৰে
এয়া যে ৰাসলীলা।

## 'সময়'

**ৰীতা গগৈ বৰা,** ডিব্ৰুগড়

এতিয়া কোনেও নেজানে কোনে কাক কবৰ দিয়ে,
কোনে কাৰ কবৰ খান্দে,
এতিয়া কোনেও নেজানে কোনে ক'ত কাৰ তেজৰ ডোঙা গৰকিব লাগে,
এতিয়া সময়ৰ লগত সলনি হৈছে বন্ধুত্ব,
বিশ্বাস আৰু প্ৰেমৰ সংজ্ঞা,
সময়ৰ সৈতে মানুহে এতিয়া অট্টহাস্য কৰে,
যেতিয়াই তেতিয়াই সমাজত গ্ৰহণ লাগে,
উৰণ, বৰণ গজন, ভ্ৰমণ এই চাৰিমুঠি জীৱৰ হৃদয়ৰ সংবাদ কোনে শুনে,
এতিয়া সময় আছে কাৰ?

**ম'বাইল ঃ ৯৪৩৫৩৩১৮৬৫**

## পিতাই

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

তই বৰ সোনকালে
গলিগৈ অ'
পিতাই....
তেতিয়াই যদি মোকো
লৈ গলি হয় তোৰ লগত
আজি মই
তোৰ লগত তোৰ দুহাতত ধৰি
সৰগৰীয় সোৱাদ
বুটলি বুটলি
মনৰ কথা পাতিলোঁ হয়,
সকলো থাকিও
কেতিয়াবা...
নিজকে বৰ অকলশৰীয়া
যেন লাগে জাননে
পিতাই...,
বহু কথাই থাকি গ'ল
তোৰ পৰা পাবলৈ
আহিবিচোন সোনকালে
পাৰিলে মোকো
তোৰ কাষলৈ
লৈ যাবিহি....,
মই ৰৈ আছো আশাৰে
হেঁপাহেৰে.....।



## নৰকান্ত বৰদলৈ ছাৰ আৰু নাই

**শামনুৰ আলম**

ছাৰ, আপুনিও গুচি গ'লে,
আপুনি আছিল এটা সম্পদ
অসমৰ সম্পদ, অসমীয়াৰ সম্পদ
লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাৰ শিক্ষক
শিক্ষা দিলে আপুনি হীৰা-মুকুতা সদৃশ
ইংৰাজী ব্যাকৰণ যেন জ্ঞানৰ খনি
Modern™ English Grammar And Composition নামৰ পুথিখনৰ দ্বাৰা
মৰিগাঁও কলেজৰ প্ৰাক্তন অধ্যাপক
লেখক ও সাহিত্যিক আপুনি
ধুনীয়াকৈ শিকাই গ'ল, Tense, Voice
Rules of Syntax, Sequence of Tenses.
আজি আপুনি নাই কিন্তু,
থাকি যাব আপোনাৰ শিক্ষা, কিতাপ
ছাত্ৰ-ছাত্ৰী সকলোৰে মনৰ মাজত।
আপোনাৰ পৰাই শিকিছিলোঁ
সৌ সিদিনা যেতিয়া সৰু আছিলোঁ
বাৰে বাৰে শিকি অহা ভুলকৈ
What class do you read in -ৰ
উত্তৰত- I read in class VIII বুলি।
তেতিয়া মই শিকিলোঁ আৰু শিকালোঁ
I read in class VIII নহয়,
I am in class V, VIII, বা,
I study in class V, VIII বুলি।
কিন্তু আজিৰ খবৰে আমাক মৰ্মাহত কৰিলে
আজি সেমেকা শীতৰ সময়ত
প্ৰশান্ত বা কঢ়িয়াই অনা
সুখৰ নিয়ৰৰ পৰিৱৰ্তে
দুখৰ নিয়ৰ পৰিছে।
আজি সেমেকা শীতৰ চাৰিওদিশে
দুখবোৰ ধুঁৱলী-কুঁৱলীৰ ৰূপ লৈ
আৱৰি ধৰিছে।
আজি গভীৰ সমবেদনাৰে ক'ব লগা হৈছে
এই পুথিখনৰ প্ৰণেতা, নৰকান্ত বৰদলৈ ছাৰ
আৰু এই জগতত নাই।
**ম'বাইল ঃ ৮৬৩৮৮-৮২১২৪**

*প্ৰথম পৃষ্ঠাৰ পৰা*

## মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ শুভাৰম্ভ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

যুৱতীসকলক প্ৰতিমাহে ২৫০০ টকাকৈ বৃত্তি প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ই নিবনুৱা ভাট্টা নহয়। কাৰণ এটা বছৰ চৰকাৰে আৰ্থিক সমৰ্থন দিলে যুৱক-যুৱতীসকলে নিজৰ ভৰিত নিজে থিয় দিব পাৰিব। ৰাজ্যখনত বৰ্তমান স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত অসম লোক সেৱা আয়োগৰ পৰীক্ষা, অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে যুৱক-যুৱতীসকলে নিয়োগৰ সুবিধা লাভ কৰাৰ লগতে অসমত স্থাপন হোৱা ছেমিকণ্ডাক্টৰ উদ্যোগত ঔদ্যোগিক নিয়োজনৰ সুবিধাৰ উপৰিও মুখ্যমন্ত্ৰীৰ চিএম-ফ্লাইট আঁচনিৰ অধীনত জাপান, দক্ষিণ কোৰিয়া, ছিংগাপুৰ আদি বিভিন্ন দেশত সংস্থাপনৰ বাবে পথ প্ৰশস্ত হৈ উঠিছে। তেওঁ কয় যে সমান্তৰালভাৱে দেশৰ উন্নয়নৰ লগত খাপখুৱাই ৰাজ্যৰ বাহিৰতো কৰ্মসংস্থাপনৰ ব্যৱস্থা নিশ্চিতভাৱে আজি আগতকৈ বহুখিনি আগবাঢ়িছে। মুখ্যমন্ত্ৰীৰ আত্ম নিৰ্ভৰ অসম আঁচনি আদিৰ জৰিয়তে ৰাজ্য চৰকাৰে আত্ম সংস্থাপনৰ সুবিধা প্ৰদান কৰাৰ লগতে প্ৰধানমন্ত্ৰী মুদ্ৰাৰ দৰে আঁচনিৰ জৰিয়তে উদ্যমিতাৰ দিশত আগবঢ়া যুৱক-যুৱতীসকলক মৰ্টগেজ বিহীনভাৱে বেংকৰ ঋণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰে ২ লাখ টকাৰ পৰা ৫ লাখ টকালৈকে আৰ্থিক অনুদানৰ ব্যৱস্থা আৰম্ভ কৰিছে আৰু ষ্টাৰ্ট আপৰ উদ্ভাৱনী ক্ষেত্ৰখনতো ৰাজ্যৰ যুৱক-যুৱতীসকল জড়িত হৈ পৰিছে। তেওঁ কয় যে এটা বছৰৰ আৰ্থিক সমৰ্থনে যুৱক-যুৱতীসকলক ভৱিষ্যতৰ বাবে সুস্থিৰ সিদ্ধান্ত গ্ৰহণত সহায় কৰাৰ লগতে লক্ষ্যত উপনীত হোৱাত উদগণি যোগাব। তেওঁ কয় যে ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ১ তাৰিখৰ পৰা ২০২৭ চনৰ ৩১ জানুৱাৰীলৈকে প্ৰতি মাহত ৰাজ্য চৰকাৰে স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক ২৫০০ টকাকৈ আগবঢ়াই যাব। তদ্ৰূপ পৰৱৰ্তী বছৰসমূহত স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক অনুৰূপ ধৰণে বৃত্তি প্ৰদান কৰা হ'ব। ২০২৫ চনত স্নাতক উত্তীৰ্ণ সকলো যুৱক-যুৱতীক এই আঁচনিৰ অধীনত সামৰি লোৱা হ'ব। নিযুত মইনা আঁচনিৰ অধীনত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীসকলে ইতিমধ্যে ২৫০০ টকাকৈ লাভ কৰি আছে আৰু অহা ৪ বছৰলৈ এই আঁচনিৰ অধীনত তেওঁলোক এই ধন লাভ কৰি থাকিব। সেয়েহে নিযুত মইনা আঁচনিৰ অধীনত ধন লাভ কৰা ছাত্ৰীসকলক এই আঁচনিৰ অধীনত সামৰি ল'ব বিচৰা নাই বুলি তেওঁ কয়। তদুপৰি পেছাদাৰী অথবা বৃত্তিমুখী পাঠ্যক্ৰমৰ শিক্ষাৰ্থী তেওঁলোকক এই বছৰ এই আঁচনিৰ অধীনত সামৰি লোৱা হোৱা নাই। কিন্তু সামাজিক ক্ষেত্ৰ তথা সামাজিক সংগঠনে পৃষ্ঠপোষকতা কৰা বিশ্ববিদ্যালয়সমূহৰ পৰা স্নাতক উত্তীৰ্ণ যুৱক-যুৱতীসকলক পৰৱৰ্তী সময়ত এই আঁচনিৰ অধীনত সামৰি লোৱাৰ বাবে বিবেচনা কৰাৰ বাবে চিন্তা কৰা হ'ব বুলি তেওঁ কয়। চতুৰ্থ বৰ্গৰ চাকৰিয়ালৰ সন্তানক বাদ দি যিসকল আৱেদনকাৰীৰ পিতৃ-মাতৃৰ যিকোনো এগৰাকী ৰাজহুৱা পদত অথবা চৰকাৰী চাকৰিত নিয়োজিত, যিসকল আৱেদনকাৰীৰ পিতৃ-মাতৃ পঞ্জীয়নভুক্ত ঠিকাদাৰ, যিসকল আৱেদনকাৰী বছৰি ১০ লাখ টকাতকৈ অধিক উপাৰ্জন কৰা পেছাদাৰী পৰিয়ালৰ সন্তান অথবা আৱেদনকাৰী পিতৃ-মাতৃৰ যিকোনো এগৰাকী সাংসদ, মন্ত্ৰী বা বিধায়ক, তেনে স্নাতক ডিগ্ৰী ধাৰী যুৱক-যুৱতীয়ে এই আঁচনিখনৰ সুবিধা লাভ নকৰিব। তেওঁ কয় যে নৱেম্বৰ মাহৰ ভিতৰত এই আঁচনিখনৰ অধীনত আৱেদন প্ৰক্ৰিয়াৰ কাম সমাপন হোৱাৰ আশা কৰা হৈছে। ডিচেম্বৰ মাহত আৱেদন পত্ৰসমূহ পৰীক্ষণ কৰা হ'ব। এই আঁচনিখন নিৰ্বাচন কেন্দ্ৰিক আঁচনি নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে যুৱক-যুৱতীসকলৰ আশা-আকাংক্ষা পূৰণৰ বাবে মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিখন উদ্বোধন কৰা হৈছে আৰু ই এখন সাৰ্বজনীন আঁচনি। এই সভাত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰী, ড° বি কল্যাণ চক্ৰৱৰ্তী, প্ৰধান সচিব জ্ঞানেন্দ্ৰদেৱ ত্ৰিপাঠী, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ প্ৰমুখ্যে উচ্চপদস্থ বিষয়াবৰ্গ, গণ্য-মান্য ব্যক্তি আৰু যুৱক-যুৱতীসকল উপস্থিত থাকে।

## নগাঁৱত গণশিল্পী জুবিন গাৰ্গক সোঁৱৰি অভিনৱ চিন্তাৰে

মহাবিদ্যালয়, ষ্টাৰলেব ডায়েগ্ন'ষ্টিক আৰু ডুগডুগীৰ সক্ৰিয় সহযোগিতাত ইতিমধ্যে মহাপ্ৰয়াণ ঘটা গণশিল্পী জুবিন গাৰ্গৰ প্ৰতি উচৰ্গা কৰি আয়োজিত এই 'গজল সন্ধ্যা'টিৰ প্ৰাকক্ষণত জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অনুষ্ঠানটোৰ মুখ্য আয়োজন সঞ্জীৱ সাগৰ চৌধুৰীৰ পিতৃ-মাতৃয়ে। এই কাৰ্যসূচীত সহযোগ কৰে নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ কুলেন দাস, গল্পকাৰ শিৱানন্দ কাকতি, সমুদ্ৰগুপ্ত কাশ্যপ, নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° মঞ্জু লস্কৰ, ডিমৰীয়া কলেজৰ প্ৰাক্তন অধ্যাপক মোহিনী মোহন ডেকা, মুকুল বৰঠাকুৰ আৰু বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিঙে। ইয়াৰ পিছতে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ উপস্থিতিত সকলোৱে সমৱেতভাৱে ইতিমধ্যে প্ৰাৰ্থনালৈ ৰূপান্তৰিত হোৱা জুবিন গাৰ্গৰ অমৰ সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি সমস্বৰে পৰিৱেশন কৰি মৰমৰ শিল্পীজনক স্মৰণ কৰে। ইয়াৰ পিছত এক অভিনৱ চিন্তা আৰু পৰিকল্পনাৰে আয়োজিত 'গজল সন্ধ্যা'টি বিশিষ্ট গজল গায়ক আৰিফুল হকৰ দ্বাৰা সঞ্জীৱ সাগৰ চৌধুৰীৰ ৰচিত এটি গজল পৰিৱেশনেৰে শুভাৰম্ভ কৰা হয়। কবি সঞ্জীৱ সাগৰ চৌধুৰী আৰু পুন্যহাপুনম চৌধুৰীয়ে আঁত ধৰা মনোমোহা সংগীতৰ মায়াজালেৰে আৱৰা অনুষ্ঠানটিত দীপাংকগিৰি দেৱ গোস্বামী, তৰুণ শইকীয়া, জিতু শ্ৰাৱণ, কানু কন্দলি, স্বপ্নালী কলিতা, নিলোৎপল গায়ন, কুমাৰ কিশোৰ, নিপু ভূঞা আৰু প্ৰযুক্তি দেৱীয়ে সুললিত কণ্ঠৰে সঞ্জীৱ সাগৰ চৌধুৰীৰ ৰচিত মুঠ ১৪টি অসমীয়া আৰু হিন্দুস্থানী গজল পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তুলিবলৈ সক্ষম হয়। তদুপৰি মন পুলকিত কৰা সংগীতময় পৰিৱেশত দীপেন দাস, ৰাজীৱ বৰঠাকুৰ, কনক হীৰা, সিদ্ধাৰ্থ দেৱনাথ, অমল ডেকা, চম্পক বৰদলৈ, বাবুল বৰা আৰু প্ৰাঞ্জল শৰ্মাকে ধৰি কেইবাগৰাকী নিপুন বাদ্যশিল্পীয়ে বাদ্য সংগত কৰি 'গজল সন্ধ্যাটি'ক এক সুকীয়া মাত্ৰা প্ৰদান কৰা দেখা যায়। প্ৰায় তিনি ঘন্টা সময় ধৰি মধুৰ গজলৰ সুৰে গুঞ্জৰিত কৰি ৰখা এই 'গজল সন্ধ্যা'টি বিশ্ববৰেণ্য শিল্পী ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমৱেতভাৱে পৰিৱেশনৰ দ্বাৰা সামৰণি পেলোৱা হয়।

# ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ অন্যতম প্ৰধান চালিকা শক্তি হিচাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ভূমিকা অনস্বীকাৰ্য। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন স্বাস্থ্য আঁচনিৰ সফল আৰু ফলপ্ৰসূ ৰূপায়ণত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সকলো কৰ্মচাৰীৰ অৱদান, কৰ্তব্যনিষ্ঠা অদ্বিতীয় হোৱাৰ পিছতো কিন্তু এই অভিযানৰ অধীনত কৰ্মৰত বিষয়া কৰ্মৰাজ্যখনৰ নিয়মীয়া স্বাস্থ্য বিষয়া- কৰ্মচাৰী আৰু স্বাস্থ্য কৰ্মী সকলৰ সমানেই অৰ্হতা আৰু কৰ্তব্যনিষ্ঠাৰে নিৰন্তৰ চৰকাৰী সেৱা আগবঢ়ায় অহা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰী সকলৰ প্ৰতি বিগত প্ৰায় ২০০৬ চনৰ পৰাই প্ৰতাৰণামূলক স্থিতি লৈ অহা ৰাজ্য চৰকাৰৰ দুটা দশক জোৰা প্ৰবঞ্চনাৰ বিৰুদ্ধে ৰাজ্যজুৰি ঐক্যবদ্ধ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত হোৱাৰ সমান্তৰালকৈ ডিব্ৰুগড় জিলাৰ স্বাস্থ্য আৰু কাৰিকৰী কল্যান সন্থা (এন এইচ এম) আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থাৰ যৌথ উদ্যোগত জিলা ভিত্তিত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সহস্ৰাধিক জিলা আৰু ব্লকৰ বিষয়া কৰ্মচাৰী, স্বাস্থ্যকৰ্মীসকলে ৩, ৪ আৰু ৫ নৱেম্বৰত জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত তিনি দিনীয়া কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘটৰে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। কৰ্মচাৰীৰ গ্ৰেচুইটি আবু পেঞ্চনৰ ক্ষেত্ৰত সুস্থিৰ নিৰ্দেশনা প্ৰকাশ কৰি অতি শীঘ্ৰেই কাৰ্যকৰী কৰা, কৰ্মচাৰীক স্বাস্থ্য বিভাগত খালী হৈ থকা পদত পোনপটীয়াকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে ৰাজ্যত নতুন কৈ স্থাপিত স্বাস্থ্য অনুষ্ঠান সমূহত নতুন পদ সৃষ্টি কৰি এন এইচ এম কৰ্মচাৰীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, কৰ্মচাৰীৰ কৰ্মৰত অৱস্থাত মৃত্যু হ'লে পৰিয়ালত যদি যোগ্য ব্যক্তিক নিযুক্তি ব্যৱস্থা কৰা অন্যথা কৰ্মচাৰীজনৰ কৰ্মজীৱনৰ সম্পূৰ্ণ দৰমহা পৰিয়ালক প্ৰদান কৰাৰ ব্যৱস্থা কৰা, সামাজিক সুৰক্ষা আইনৰ আওঁতাত কৰ্মচাৰীসকলক ই.পি.এফ ব্যৱস্থা কৰা, বৰ্তমানৰ মুখ্য মন্ত্ৰী মহোদয় স্বাস্থ্য মন্ত্ৰী হৈ থকা সময়ত তথা ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ আগ মুহূৰ্তত নতুন চৰকাৰ গঠন কৰিয়েই প্ৰথম কেবিনেটতে এন এইচ এম কৰ্মচাৰী আৰু সৰ্বশিক্ষাৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক টেট শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু নিয়মীয়াকৰণ নোহোৱালৈকে সপ্তম দৰমহা আয়োগমতে দৰমহা দিব বুলি যোষণা কৰিছিল।

## ভগৱান শ্ৰীকৃষ্ণ আৰু ৰাস ক্ৰীড়া

দৈৱকীৰ গৰ্ভত আৰু বসুদেৱৰ ঔৰসত জন্ম লাভ কৰে।

মথুৰা নগৰীত জন্ম লাভ কৰা শিশু কৃষ্ণক পিতৃ বসুদেৱে মামা কংসৰ ভয়ত বাৰিষাৰ ফেনে ফোটোকাৰে ওফন্দি উঠা যমুনা নদী পাৰ কৰি গকুলত নন্দ যশোদাৰ গৃহত লুকুৱাই থৈ আহিল। গকুলত লাহে লাহে ডাঙৰ দীঘল হৈ কৃষ্ণই লগৰীয়া আৰু গোপ-গোপিনীসকলক অদ্ভুত মায়া দেখুৱাবলৈ ধৰিলে। বৃন্দাবনত গৰু চৰাওতেই বলবান দৈত্য দানৱক নিধন কৰি শিশু কৃষ্ণই নানা অলৌকিক ঘটনা সংঘটিত কৰি সমনীয়াসকলক বিস্ময়াভিভূত কৰিলে। বিশেষকৈ গোপীগণ মায়াৱী কৃষ্ণৰ প্ৰেমত বন্দী হৈ কৃষ্ণ বিনে অন্য বস্তুৰ প্ৰতি মোহ নোহোৱা হৈ পৰিল। এই ক্ষেত্ৰত ৰাধা-কৃষ্ণৰ প্ৰেম এক চূড়ান্ত নিদৰ্শন। ৰাধা-কৃষ্ণক লৈ শঙ্কৰদেৱ গুৰুজনাই কীৰ্তন পুথিত সুন্দৰ বৰ্ণনা কৰিছে। শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ দশম স্কন্ধৰ ২৯ অধ্যায়ৰ পৰা ৩৬ নং অধ্যায় পৰ্যন্ত কৃষ্ণ আৰু গোপিনীসবৰ ৰাসক্ৰীয়াৰ বৰ্ণনাৰ উল্লেখ আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই পাঁচোটি অধ্যায় অসমীয়ালৈ অনুবাদ কৰি তেৰাই প্ৰণয়ন কৰা কীৰ্তন ঘোষাৰ ৰাসক্ৰীড়া খণ্ডটিত সন্নিৱিষ্ট কৰিছে।

শৰৎকালৰ স্নিগ্ধ জোনাকত যমুনাৰ বালিত ভগৱান কৃষ্ণৰ ৰাসক্ৰীড়া কৰিবৰ মন গ'ল-

শৰৎকালৰ ৰাত্ৰি অতি বিতোপন।<br>
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।

পৰম বান্ধৱ পুৰুযোত্তম শ্ৰীকৃষ্ণৰ মোহন বংশীৰ সুমধুৰ সুৰ শুনি ঘৰ সংসাৰী ৰাধা সহিতে গোপিনীসকলৰ গাত তৎ নোহোৱা হ'ল। কামে মোহে পীড়িতা গোপী সকলে যৰে বস্তু ততে থৈ লৰৰি ঢাপলি আহিল ভগৱান শ্ৰীকৃষ্ণৰ শীতল সান্নিধ্য বিচাৰি যমুনাৰ তিৰলৈ-

বনকো দেখিল চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত।<br>
সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত।।<br>
শুনি কামে উত্ৰাৱল হুৱা গোপীগণ।<br>
দিলেক লৰৰ গীত ধ্বনি নীৰিক্ষণে।।

গোপীসকলে কামাতুৰা হৈ ভগৱান শ্ৰীকৃষ্ণৰ চৌপাশে এক চিত্তে প্ৰেম নিবেদন কৰিব ধৰিলে। শ্ৰীকৃষ্ণৰ স্পৰ্শ পাবলৈ কাম বিহ্বলা গোপীসকল উদ্বাউল হৈ পৰিল। কৃষ্ণ গোসাঁয়েও নানান নৃত্য ভংগীমাৰে গোপীসকলৰ অন্তৰ হৰণ কৰিলে। যমুনাৰ বালিত নামি শ্ৰীকৃষ্ণই ৰাসক্ৰীড়া কৰাত লাগিল-

গোপীগণ লৈয়া নামিল তাত।<br>
কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।।<br>
বাহু মেলি কাকো আলিঙ্গি ধৰি।<br>
কৰো স্তন নখে পৰশৈ হৰি।।

এইদৰে শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ৰাস কেলি কৰিবলৈ ধৰিলে। কৃষ্ণৰ সংগ লাভ কৰি গোপীসকল গৰ্বত ওফন্দি পৰিল। অন্তৰ্যামী ভগৱান শ্ৰীকৃষ্ণই এই কথা জানিব পাৰি গোপীসকলৰ অহঙ্কাৰ চূৰ্ণ কৰিবলৈ গোপীসকলৰ মাজৰ পৰা অন্তৰ্ধান হ'ল-

দেখি নসহিল কৃষ্ণৰ গাৱ।<br>
তাসাম্বাৰ দৰ্প হৰিবে মনে<br>
ভৈলা অন্তৰ্ধান তৈতে তেখেনে।।

কৃষ্ণক নেদেখি গোপীসকলৰ মাজত হাহাকাৰ লাগিল। তেতিয়া গোপীসকলে কৃষ্ণৰ ৰূপ গুণ বৰ্ণাই বিলাপ কৰিবলৈ ধৰিলে। দয়াময় কৃষ্ণ গোপীসকলৰ মাজত পুনৰ বিদ্যমান হোৱাত গোপীসকল হৰষিত হ'ল। এইদৰে গোপীসকলে কৃষ্ণৰ দৰ্শন পাবলৈ নানা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিছিল। পিছে ভগৱান কৃষ্ণই সকলো মায়া মোহ, জৈৱিক 'বাসনাৰ' পৰা মুক্ত কৰি গোপীসকলক প্ৰেমময় ঈশ্বৰ প্ৰাপ্তিৰ সন্ধান দিছিল। কাম, মোহ বিৱৰ্জিত প্ৰকৃত আত্ম নিবেদনৰ জৰিয়তে ভগৱান কৃষ্ণৰ সান্নিধ্য প্ৰাপ্তিয়ে হৈছে ৰাসক্ৰীড়াৰ মূল তত্ব -

ইটো ৰাসক্ৰীড়া কেলি নাম কামজয়<br>
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়<br>
আক শুনৈ ভনৈ যিটোজনে অবিশ্ৰাম<br>
বাঢ়িবে ভকতি অতি জিনিবেক কাম।

গোপীসকলৰ সৈতে ভগৱান শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া যৌনগন্ধী নহয়। ই ভক্তি ৰসৰ প্ৰাবল্যৰে ভৰপূৰ। ৰাসক্ৰীড়াত উপলব্ধ কৃষ্ণ গোপিনীৰ যি প্ৰেম তাত পাৰ্থিৱ প্ৰেমৰ পৰিৱৰ্তে ভগৱান প্ৰাপ্তিৰ বিৰল স্পৃহা প্ৰকট হৈ উঠা দেখা যায়। এই প্ৰেম দেহজ প্ৰেমৰ পৰা ভগৱৎ প্ৰেমলৈ উত্তৰণ ঘটিছে। সেয়ে ৰাসক্ৰীড়া বা ৰাসলীলাৰ মহত্ব জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে ৰাইজৰ মাজত ক্ৰমে বৃদ্ধি পাইছে।

*তিনি পৃষ্ঠাৰ পৰা*

## অন্ধবিশ্বাসৰ পৰা মুক্তিৰ পথ

ই কেৱল এটা দিনৰ কাম নহয়, বৰং ই প্ৰজন্মৰ পিছত প্ৰজন্মলৈ চলা এক গভীৰ সাংস্কৃতিক, মানসিক আৰু বৌদ্ধিক সংগ্ৰাম। বিশুদ্ধ শিক্ষাৰ প্ৰসাৰ, বৈজ্ঞানিক মানসিকতাৰ অনুশীলন, সামাজিক সজাগতাৰ আন্দোলন, মানৱতাবাদী মূল্যবোধৰ প্ৰতিষ্ঠা, ব্যক্তিগত আত্মপৰীক্ষা, সাক্ষ্যভিত্তিক সিদ্ধান্ত গ্ৰহণ, সাংস্কৃতিক সংস্কাৰ আৰু আত্মবিশ্বাসৰ বিকাশ- এই আটাইবোৰ উপাদানৰ সামূহিক প্ৰয়াসৰ দ্বাৰাহে অন্ধবিশ্বাসৰ কঠিন বেৰখন ভাঙি এক সুস্থ, মুক্ত আৰু প্ৰগতিশীল সমাজ গঢ়ি তোলা সম্ভৱ। প্ৰকৃত মুক্তি তেতিয়াহে সম্ভৱ হৈ উঠে, যেতিয়া মানৱ সমাজে ভয়, অজ্ঞতা আৰু যুক্তিহীনতাৰ আন্ধাৰ আঁতৰাই জ্ঞান, যুক্তি আৰু মানৱতাৰ পোহৰত নিজৰ জীৱনৰ পথ নিজেই নিৰ্ধাৰণ কৰিবলৈ শিকে। এইদৰেই মানৱ জাতিয়ে অন্ধবিশ্বাসৰ শিকলি ছিঙি এক উন্নত ভৱিষ্যতৰ দিশে আগবাঢ়িব পাৰে।

(তথ্যসূত্ৰ - কেবাখনো গ্ৰন্থ, একাধিক প্ৰৱন্ধ আৰু ইন্টাৰনেটত উপলব্ধ বিভিন্ন লেখাৰ সহায় লোৱা হৈছে।)

**ম'বাইল ঃ** ৯৮৬৪০-০০২৬০




Janasanyog RO no 2873/25/7-November-25

# সুধাকণ্ঠক জীয়াই ৰখাৰ ব্যতিক্ৰমী পদক্ষেপ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাৰ

## সুদীৰ্ঘ চৈধ্যটা বছৰে নিতৌ এঘণ্টাকৈ মাইকযোগে ৰাইজক শুনাই আহিছে ভূপেন হাজৰিকাৰ গীত

**জয়ন্ত মুদৈ, নগাঁও ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক জীয়াই ৰখাৰ ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰি আহিছে এগৰাকী জ্যেষ্ঠ সাংবাদিকে। এমাহ নহয়, দুমাহ নহয় নিৰছিন্নভাৱে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণৰ দিনটোৰ পৰাই মহানশিল্পীজনৰ চিৰসেউজ গীত ৰাইজক শুনাই চৈধ্য বছৰ সম্পূৰ্ণ কৰিলে এইগৰাকী সাংস্কৃতিৱান সাংবাদিকে। যাযাবৰী শিল্পীজনৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু মৰমৰ বাবেই এনে ব্যতিক্ৰমী পদক্ষেপ লৈ আহিছে সাংবাদিকগৰাকীয়ে। এই সাংবাদিক গৰাকী হৈছে নগাঁও জিলাৰ কামপুৰৰ উদ্যমী যুৱক তথা জ্যেষ্ঠ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰা। উল্লেখ্য যে, সাংবাদিক বৰাই একক প্ৰচেষ্টাৰে অসমী আইৰ হিয়াৰ আমঠু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীতসমূহ মাইক যোগে ৰাইজক শুনাই আহিছে শিল্পী গৰাকীৰ মহাপ্ৰয়াণৰ দিনৰে পৰা। সময়ৰ গতিত চৈধ্যটা বছৰ সম্পূৰ্ণ কৰিলে সুধাকণ্ঠ গীতৰ কোলাত। মন কৰিব লগা যে বিগত ২০১১ চনৰ ৫ নৱেম্বৰৰ ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণৰ দিনৰ পৰাই প্ৰতিদিনে কামপুৰ নগৰৰ বজাৰত গীতসমূহ মাইকৰ যোগেদি প্ৰচাৰ কৰি আহিছে সাংবাদিক গৰাকীয়ে। আচলতে, সুধাকণ্ঠৰ মহাপ্ৰয়াণৰ সময় বিয়লি ৪.৩৭ বজাৰ পৰা ৫.৩৭ বজালৈ মুঠ এঘন্টা সময়ৰ বাবে তেওঁৰ বাণীবদ্ধ অমৰ গীতসমূহ মাইকৰ যোগেদি কামপুৰ নগৰবাসীক শুনাই এক নজিৰ বহন কৰিছে সাংবাদিক বৰাই। যিমানেই বতাহ, বৰষুণ বা প্ৰতিকূল পৰিস্থিতি নহওঁক কিয়, সেই সময়ত ব্যক্তিগত সকলো কৰ্মক একাষৰীয়া কৰি থৈ হ'লেও সাংবাদিক বৰাই এনেদৰে এক দায়িত্ব আৰু কৰ্তব্য হিচাপে পালন কৰি আহিছে। ফলত এঘন্টাৰ বাবে কামপুৰৰ বজাৰ জীপাল হৈ পৰে সুধাকণ্ঠৰ সুমধুৰ গীতৰে। আনকি, প্ৰতিজন কামপুৰীয়া ব্যক্তি আবেলিৰ উক্ত সময়খিনিৰ বাবে অপেক্ষা কৰি থাকে আৰু বহুতৰ বাবে এই সময়খিনি ভূপেন্দ্ৰ সংগীত সমূহ সন্ধিয়াৰ প্ৰাৰ্থনা লৈ ৰূপান্তৰিত হোৱাৰ অনুভৱ কৰে। ইফালে, ভূপেন হাজৰিকাৰ অমৰ গীতসমূহ শুনাবৰ বাবে কামপুৰ নগৰৰ ভিন্ন স্থানত খুঁটা স্থাপন কৰি মাইকৰ দ্বাৰা পৰিৱেশন কৰা কাৰ্যক সকলোৱে প্ৰশংসা কৰিছে সাংবাদিক গৰাকীক। এক কথাত সামাজিক-সাংস্কৃতিক অনুষ্ঠানবোৰত ওতঃপ্ৰোতভাৱে জড়িত সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাই ভূপেন হাজৰিকাৰ মৃত্যুৰ দিনাৰ পৰাই এনেদৰে মাইকৰ দ্বাৰা অমৰ গীতসমূহ পৰিৱেশন কৰি এক সুকিয়া পৰিৱেশ সৃষ্টি কৰিছে। সেয়ে, এনে বিৰল দৃষ্টান্তক সকলোৱে শলাগ লৈ বৰ্তমান আধুনিকতাৰ ধামমুখীয়াত অসমীয়া নৱপ্ৰজন্ম বাবে ই এক অতি গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিছে বুলি সচেতন লোকসকলে মন্তব্য কৰিছে। ইফালে, এই প্ৰশংসনীয় পদক্ষেপৰ সমান্তৰালভাৱে সুধাকণ্ঠ গৰাকীৰ আজন্ম প্ৰেমিক বৰাই মহান শিল্পীজনৰ কৰ্মৰাজীসমূহ অমৰ কৰি ৰাখিবলৈ কামপুৰ নগৰত বিভিন্ন কাৰ্যসূচীৰ পৰিকল্পনা হাতত ৰাখিছে বুলি জানিব পৰা গৈছে। গতিকে, ২০১১ চনৰপৰা ধাৰাবাহিকতা ৰক্ষা কৰি সাংবাদিকগৰাকীয়ে সুধাকণ্ঠক ৰাইজৰ মাজত জীয়াই ৰখাৰ লক্ষ্যৰে এনে এক পৰিৱেশ সৃষ্টি কৰাৰ বাবে কামপুৰীয়া ৰাইজে সাংবাদিক বৰাক চৰকাৰীভাৱে এক স্বীকৃতি প্ৰদানৰ অনুৰোধ জনাইছে।

# নৃত্য কৰিঅ'গ্ৰাফাৰ বিশ্বজিৎ বৈশ্যক 'গুৰুশ্ৰী' সন্মান প্ৰদান





**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ শুৱালকুছিৰ অন্তৰ্গত বংশৰৰ উদীয়মান অভিনেতা তথা নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্যক 'মায়াবিনী ইভেন এণ্ড এন্টাৰটেইনমেন্টে' য়ে যোৱা ১ নৱেম্বৰত দিশপুৰস্থিত PWD কনভেনশন চেন্টাৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'গুৰুশ্ৰী' সন্মান প্ৰদান কৰে। আৰু প্ৰদান কৰে মায়াবিনী ইভেনৰ পৰিচালিকা হীমাশ্ৰী কলিতাই। ইতিমধ্যেই বিশ্বজিৎ বৈশ্যৰ ছাত্ৰ-ছাত্ৰী বিভিন্ন প্ৰান্তত গৈও নৃত্যৰ জৰিয়তে পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে আৰু গাঁওখনৰ নাম উজ্বলাই তুলিছে। বৈশ্যৰ এই কৃতিত্বক বিভিন্নজনে শুভেচ্ছাবাৰ্তা পঠিয়াইছে আৰু শলাগিছে।




# শুৱালকুছি প্ৰগতি ছাত্ৰ সমাজৰ পাঁচ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

## কঠোৰ পৰিশ্ৰম ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ মূল পথ ঃ ৰঞ্জিত ভট্টাচাৰ্য



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ ক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰিলেহে বৌদ্ধিক বিকাশৰ মূল পথ মুকলি হ'ব। এই ভাষ্য বিজেপিৰ ৰাজ্যিক কৃষাণ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যৰ। শুৱালকুছি প্ৰগতি ছাত্ৰ সমাজৰ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীক বিশেষ সম্বৰ্ধনাৰ সভা দিয়া ভাষ্য। তেওঁ পুনৰ কয়। শিক্ষাই জীৱনক নতুন মাত্ৰা দিয়ে। সেয়ে ছাত্ৰ সমাজে অধ্যাৱসায়ৰে কৃতিত্ব অৰ্জন কৰি নিজৰ জীৱন সাৰ্থক কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃ, সমাজৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। কৰ্মৰ তাগিদাত বিদেশত থাকিলেও শিপাৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব। যি কৃতিমান ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃক বৃদ্ধাশ্ৰমত থাকিবলৈ বাধ্য কৰায়। তেনে ছাত্ৰ-ছাত্ৰী আমাক নালাগে বুলিও কয়। একেদৰে বিজেপিৰ জ্যেষ্ঠ কৰ্মী প্ৰকাশ চন্দ্ৰ দাস, জিএমডিএৰ জন সম্পৰ্কৰক্ষী বিষয়া সনাতন দাসেও ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্যৰ পিছত দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বিশ্লেষণাত্মকভাৱে আলোকপাত কৰে। উক্ত মঞ্চতেই প্ৰয়াত শিক্ষয়িত্ৰী কৌমুদী মেধি আৰু মদন চন্দ্ৰ মেধিয়ে সম্পাদনা কৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ হাতপুথি অসমীয়া সাৰথি নামৰ কিতাপখনি উন্মোচন কৰে ৰঞ্জিত ভট্টাচাৰ্য। লগতে এই হাতপুথিখন দশম শ্ৰেণীৰ ৫০০ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ বিতৰণ কৰে। সভাৰ আৰম্ভণিৰ পূৰ্বেই প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সমাজৰ সভাপতি দ্বীপজ্যোতি কলিতা সম্পাদক ৰূপম জ্যোতি মেধি, জুবিন ফেন ক্লাৱ শুৱালকুছিয়ে বন্তিপ্ৰজ্বলন পুস্পঞ্জলীৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি ভায়োলিনা বৈশ্য আৰু মৃণাল বৈশ্যৰ নেতৃত্ব সকলোৱে সমস্বৰে মায়াবিনী গীত পৰিৱেশন কৰে। বৰগীত পৰিৱেশন কৰে স্নীগ্ধাৰাণী ডেকা আৰু ভায়োলীনা বৈশ্যই।ডিমলী বৈশ্য নিহাৰ দাস, প্ৰণৱ ৰূপচন আৰু শিশু শিল্পী ময়ুষপল দাসৰ সংগীতানুষ্ঠানে সম্বৰ্ধনা অনুষ্ঠানত সোণত সুৱাগা চৰে। কৃতিমান পাঁচশ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনাৰ সমান্তৰালভাৱে উদীয়মান জনপ্ৰিয় ইউটিউবাৰ কংকণ আৰিয়ানক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে প্ৰকৃতিপ্ৰেমী নিজৰা দাস (নেনচী), ভনিতা নাথ আৰু মৃন্ময় লিখকক ২০২৫ বৰ্ষৰ এনিমেল হিৰু এৱাৰ্ড বটা প্ৰদান, ভায়োলিন বৈশ্যক বছৰটোৰ শ্ৰেষ্ঠ গায়কী বঁটা, ক্ৰীড়া ক্ষেত্ৰত মায়া মেধি আৰু হিয়া মেধিক বঁটা প্ৰদান কৰা হয়। জ্যেষ্ঠ সাংবাদিক হৰিপ্ৰসাদ দাস আৰু বিদিশা দাসে আতঁধৰা অনুষ্ঠানত শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, মুখ্যমন্ত্ৰীৰ সহায়ক দিগন্ত শৰ্মা, এচ চি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰাণজিৎ দাস, যুৱ নেতা কুমুদ বৈশ্য, ৰামদিয়াৰ সমাজ সেৱিকা গুণু মেধি, শুৱালকুছিৰ প্ৰাক্তন মণ্ডল সভাপতি দুলু দাস, প্ৰাক্তন মণ্ডল সাধাৰণ সম্পাদক অপূৰ্ব দাস, বিজেপিৰ এচচি মৰ্চাৰ উত্তৰ কামৰূপৰ সভাপতি দীপজ্যোতি বৈশ্য, সমাজ সেৱক কল্প দেউৰী, সমাজ সংগঠক হেমন্ত কলিতা আৰু যুৱ নেতা ৰমেন কলিতাৰ উপৰি অভিভাৱক স্থানীয় ৰাইজ উপস্থিত থাকে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া সম্পাদক ঃ প্ৰণতি বৰা